REFERENCE
(Not for Issue)
... Library

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. III

### NO. 5

The 27th February, 1979

सत्यमेव जयते

1986

*PRINTED AT GEETALI ART PRESS, DISPUR, G. S. ROAD, GUWAHATI— 781 022*

**DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979**

**( Budget Session )**

**Volume— III**

**No— 5**

**Dated the 27th February, 1979.**

## CONTENTS.


| | | Pages |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5—40 |
| 2. | Miscellaneous ... ... ... ... ... | 40—43 |
| 3. | Calling Attention ... ... ... ... | 44—46 |
| 4. | Statement by Minister ... ... ... ... | 46—49 |
| 5. | Announcement by Speaker ... ... ... | 49—50 |
| 6. | Resolution ... ... ... ... ... ... | 50—106 |
| 7. | Statement by Chief Minister ... ... ... | 106—108 |
| 8. | Resolution ... ... ... ... | 108—126 |
| 9. | Adjournment ... ... ... ... ... | 126 |



REFERENCE
Not for Issue
Reading Only Inside Library

## Proceeding of the Third Session of the Assam Legislative Assembly Assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur. Gauhati on Tuesday, the 27th February, 1979 with the Hon. Speaker in the Chair, 12 ( twelve ) Minister 3 ( three ) Ministers of State, 4 ( four ) Parliamentary Secretries and 80 ( eighty ) Members present.

—

### STARRED

### QUESTIONS AND ANSWERS

Date : 27th February, 1979.

( To which oral answers were given )

বিষয় ঃ অসম চাহ শ্ৰমিক কল্যাণ ব'ৰ্ড

শ্ৰীজয় চন্দ্ৰ নাগবংশীয়ে সুধিছে ঃ

* ৩১। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চাহ শ্ৰমিক কল্যাণ ব'ৰ্ড গঠন হোৱাৰ পৰা ৩১।১২।৭৮ লৈকে অসমৰ বাগিচা সমূহৰ পৰা এই ব'ৰ্ডে কিমান পৰিমাণৰ Uncl-

aimed money সংগ্ৰহ কৰিছে ?

(খ) উক্ত ব'ৰ্ডে সংগ্ৰহ কৰা এই Unclaimed money কি কি কামত ব্যয় কৰা হৈছে ?

(গ) চাহ শ্ৰমিক কল্যাণ ব'ৰ্ডে সংগ্ৰহ কৰা এই টকা ( Unclaimed money ) কিছুমান ব্যক্তি বিশেষক ফাৰ্ম আদি খুলিবৰ বাবে আৰু কিছুমান অনুষ্ঠান প্ৰতিষ্ঠানক আৰ্থিক অনুদান হিচাবে দিয়া কথাটো সঁচানে ?

(ঘ) যদি সঁচা, কোন কোন ব্যক্তিক আৰু কোন কোন অনুষ্ঠান প্ৰতিষ্ঠানক কিমান পৰিমাণৰ আৰ্থিক অনুদান দিছে জনাবনে ?

শ্ৰীজগন্নাথ সিংহ ( শ্ৰম বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩১। (ক)—অসম চাহ শ্ৰমিক কল্যাণ ব'ৰ্ডে গঠন হোৱাৰ পৰা ১৯৭৮ চনৰ ৩১।১২।৭৮ তাৰিখলৈ Unpaid accumulation হিচাবে চাহ বাগান সমূহৰ পৰা জমা হোৱা টকাৰ পৰিমাণ ৮৩,৯৩,১৭৪.৫৪ টকা ।

(খ)—এই টকা তলত উল্লেখ কৰা বিষয় সমূহত খৰচ কৰা হয় —

১। প্ৰশাসনীয় খৰচ
২। বেচৰকাৰী প্ৰতিষ্ঠানলৈ মঞ্জুৰী
৩। মেজেঙা কেন্দ্ৰত চাহ বাগিচাৰ তিৰোতা মজদুৰ সকলক প্ৰশিক্ষণ দান
৪। কিতাপৰ বাবে মঞ্জুৰী
৫। চাহ বাগিচাৰ ছাত্ৰৰ বাবে ছাত্ৰাবাসৰ ব্যৱস্থা
৬। যক্ষ্মা আৰু কৰ্কট ৰোগীৰ বাবে চিকিৎসাৰ সাহায্য দান
৭। শুশ্ৰূষাকাৰিণীৰ প্ৰশিক্ষণৰ বাবে চাহ বনুৱাৰ ছোৱালীক বৃত্তি দান

৮। চকু চিকিৎসা

৯। চিলাই কলৰ যোগান

১০। এককালীন সাহায্য

(গ) আৰু (ঘ)—সচাঁ নহয়। কিন্তু কিছুমান অনুষ্ঠান প্ৰতিষ্ঠানত আৰ্থিক অনুদান হিচাপে দিয়া কথাটো সচাঁ।

শ্ৰীজয় চন্দ্ৰ নাগবংশী ঃ— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নেকি যে এই প্ৰতিষ্ঠান বোৰক কিমান পৰিমাণৰ মঞ্জুৰী দিয়া হয় ?

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— বোলে কোন বেচৰকাৰী প্ৰতিষ্ঠানক দিয়া হৈছে ?

( উত্তৰ নাই )

শ্ৰীআক্ৰাম হুচেইন :— অধ্যক্ষ মহোদয়, মন্ত্ৰীয়ে উত্তৰ দিয়াৰ বাবে সদনলৈ অহাৰ আগতে প্ৰস্তুত হৈ আহিব লাগে।

শ্ৰীজগন্নাথ সিংহ ( মন্ত্ৰী ) ঃ— অধ্যক্ষ মহোদয়, মই সকলো ৰকমে প্ৰস্তুত হৈ আহিছো.........

Shri Altaf Hossain Mazumdar :— Mr. Speaker, Sir, the hon'ble Minister has come to the House in ailing condition. He may take a little time to look through the papers. He was very seriously ill yesterday.

Shri Golak Rajbanshi :— Since the Minister is ill this question may be kept pending. He may not be pressurised.

Starred Question No. 32 was not put, the Member being

absent.

## বিষয় ঃ চিমেণ্ট

শ্রীৰবীন্দ্ৰ নাথ মালাকাৰে সুধিছে ঃ

* ৩৩। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চিমেণ্টৰ নাটনিটো কৃত্ৰিম বুলি মানুহে যে সমালোচনা কৰে, সেই কথাটো সচাঁনে ?

(খ) যদিহে সচাঁ নহয়, তেন্তে চিমেণ্টৰ খোলা বজাৰ কৰি দিয়া নহয় কিয় ?

(গ) বৰ্ত্তমানে যি পদ্ধতিত যোগান বিভাগৰ দ্বাৰাই চিমেণ্ট বিলি কৰা হৈ আছে সি ক্ৰুতিপূৰ্ণ বুলি চৰকাৰে জানেনে ?

(ঘ) যদিহে নাজানে, তেনেহলে কিছুমান দৰ্খাস্তকাৰীয়ে ৬ মাহতকৈও বেছি দিন ধৰি যোগান বিভাগৰ দপ্তৰত দৰ্খাস্ত পেলাই থোৱাতো আজিলৈকে চিমেণ্ট পোৱা নাই কিয় ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( যোগান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৩। (ক)—সচাঁ নহয়।

(খ)— বৰ্ত্তমানে চাহিদা অনুযায়ী বিলাতী মাটিৰ যোগান ভাৰত চৰকাৰৰ পৰা নোপোৱাৰ কাৰণে আৰু নানা আহুকালৰ পৰা আঁতৰত থাকিবলৈ নিয়ন্ত্ৰণ ব্যৱস্থা বাহাল ৰখা হৈছে।

(গ)—বৰ্ত্তমানৰ বিলাতী মাটিৰ বিতৰণৰ পদ্ধতি ক্ৰুটিপূৰ্ণ বুলি ভবা হোৱা নাই।

(ঘ)—ভাৰত চৰকাৰে দিয়া আবণ্টন আমাৰ ৰাজ্যৰ চাহিদাতকৈ কম হেতুকে, শোচনীয় ৰেল পৰিবহন ব্যৱস্থাৰ বাবে আৰু যোগানতকৈ চাহিদা অত্যাধিক হোৱাতো কিছুমান দৰ্খাস্তকাৰীয়ে কোনো কোনো ঠাইত অলপ দেৰিকৈ বিলাতী মাটিৰ যোগান পাইছে ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— অধ্যক্ষ মহোদয়, দিশপুৰৰ পৰা পোনপতীয়া ভাবে কোনো ব্যক্তিক চিমেণ্ট দিয়া হৈছে নেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— কোনো ব্যক্তিক দিয়া হোৱা নাই ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কাগজ পত্ৰ ভালকৈ চাই কব নে কি যে এজন ব্যক্তিক অলপতে দুশ বেগ চিমেণ্ট দিয়া হৈছে ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, কোনো ব্যক্তিক দিয়া হোৱা নাই, ব্যক্তি বিশেষক ডেপুটি কমিচনাৰে এলটমেণ্ট দিয়ে । আমি মাত্ৰ শিক্ষানুষ্ঠান আৰু ধৰ্মনুষ্ঠানবোৰকহে দিওঁ ।

শ্ৰীশূল ৰৰা :— অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যৰ চিমেণ্ট আৰু মহকুমা-বিলাকত কি ভাবে চিমেণ্টৰ কোটা দিয়া হৈছে তাৰ এটা বিৱ-ৰণ মন্ত্ৰী মহোদয়ে দিব নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, বিৱৰণখন বৰ দীঘলীয়া, টেবুলত থোৱা হব, পিচত চাই লব ।

শ্ৰীযোগেন গগৈ :— অধ্যক্ষ মহোদয়, চিমেণ্ট বিতৰণৰ ক্ষেত্ৰত মই এটা প্ৰশ্ন সুধিব খুজিছো—যোৱা বিত্তীয় বছৰত গাওঁ অঞ্চলত কিমান আৰু নগৰ অঞ্চলত কিমান চিমেণ্ট দিয়া হল ? আমি সাধাৰণতে দেখিছো যে গাওঁত মানুহে ভুঁৱাল ঘৰ বনাবলৈ ছয় সাত মহে

চিমেণ্ট বিচাৰি হাহাঁকাৰ কৰিব লগা হয় আৰু চিমেণ্ট নাপায় এই কথা মন্ত্ৰী মহোদয়ে জানে নে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, গাওঁ আৰু নগৰ বুলি আমি একো ব্ৰেক আপ ৰখা নাই ।

শ্ৰীগোলক ৰাজবংশী :— অধ্যক্ষ মহোদয়, চাহবাগানত কিমান চিমেণ্ট দিয়া হয় আৰু কি কি ব্যৱস্থাৰে দিয়া হয় ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— চৰকাৰী এলটমেণ্ট দিয়া নহয়, তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰে ।

শ্ৰীনিশীথ রঞ্জন দাস :— অধ্যক্ষ মহোদয়, সিমেণ্টের অভাবের ফলে আমাদের রাজ্যের সব রকমের জরুরী কাজকর্ম ব্যহত হচ্ছে । শিক্ষা প্রতিষ্ঠান কল কারখানার মেরামতির অত্যন্ত সাধারণ কাজ পর্য্যন্ত বন্ধ রহে থাকে । সাধারন মানুষও জরুরী প্রয়োজনে মাত্র ২'৩ বস্তা সিমেণ্ট সংগ্রহের জন্য অত্যন্ত কষ্টকরেও পায়না । এই অবস্থার অবসান ঘটিয়ে প্রয়োজনীয় সিমেণ্ট আমদানী করার জন্য যোগান মন্ত্রী মহোদয় কি ব্যবস্থা অবলম্বন করেছেন আমাদেরে জানাবেন কি ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— আমাৰ ৰাজ্যত চিমেণ্টৰ যি চাহিদা সেই মতে তিনিমাহত আমি পাব লাগে ৮৫ হেজাৰ মেট্ৰিক টন । এই চিমেণ্ট আমি বেলেগ বেলেগ প্ৰকাৰে যেনে—ৰেলৰে ব্যৱস্থাৰে, জল পৰিহৱন ব্যৱস্থাৰে আৰু পৰিবহন ব্যৱস্থাৰে পাবলৈ বিচৰা হৈছে । কিন্তু ৰেলৰে ওৱাগনৰ অভাৱ হোৱা হেতু পৰিবহন ব্যৱস্থাৰে আনিবলৈ যথেষ্ঠ সময় লাগে । সেই কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা বিলোচনা কৰি বাইওৰে অনাৰ ব্যৱস্থা কৰা

হৈছে। এই মতে আনিলে পাব বেগ ২২ টকামানকৈ পৰে। চাবচিদি বিচাৰি আমি কেন্দ্ৰীয় চৰকাৰলৈ অনুৰোধ কৰিছোঁ আৰু ইতিমধ্যে অনুমোদন কৰা হৈছে। বৰ্ত্তমান চিমেণ্টৰ যি পজিচন সি বৰ সন্তোষজনক নহলেও বৰ্ত্তমান অৱস্থা ভাললৈ আহিছে।

মঃ ছামচুল হুদা :— অধ্যক্ষ মহোদয়, যোৱা বছৰটোত চিমেণ্টৰ সৰ্ব্বমুঠ চাহিদাৰ ভিতৰত শতকৰা কিমান ভাগ চিমেণ্ট অসম চৰকাৰে বাস্তৱত পাইছে আৰু যিখিনি পাইছে সেয়া সন্তোষজনক বুলি ভাবিছে নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, ১৯৭৮ চনত আমাৰ চাহিদা ৬৫ হেজাৰ মেট্ৰিক টন, ইয়াৰ ভিতৰত প্ৰথমে পালো ২৫ হেজাৰ মেট্ৰিক টন, দ্বিতীয়তে পালো ২৫ হেজাৰ মেট্ৰিক টন, তৃতীয় পালো ৩০ হেজাৰ মেট্ৰিক টন, আৰু চতুৰ্থতে পালো ৫৮ হেজাৰ ১০০ মেট্ৰিক টন। আমাৰ চাহিদা হল ৮৫ হেজাৰ মেট্ৰিক টন। যদিও বেছিকৈ পোৱা হৈছিল অনা মেলাৰ অসুবিধাৰ কাৰণে কাগজে পত্ৰই হে এলটমেণ্ট হল। আনহাতে চিমেণ্ট ফেক্টৰীত এমাহ ষ্ট্ৰাইক হোৱাৰ কাৰণে যোৱা বছৰ মামলো চিমেণ্ট এক বস্তাও পোৱা নহল। মেঘালয়ে ৰাখি থলে। গতিকে এই ব্যৱস্থা সন্তোষজনক বুলি নাভাবোঁ। ওপৰত উল্লেখ কৰা ভিনি ধৰণেৰে যদি চিমেণ্ট অনাত কৃতকাৰ্য্য হওঁ তেন্তে বিতৰণৰ বেমেজালি আতৰাব পাৰিম বুলি ভাবোঁ।

শ্ৰীগোলক ৰাজবংশী :— মই জানিব বিচাৰিছো যে যি চিমেণ্ট যোগান দিয়া হৈছে তাৰ মূল্য কিমান ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— আমি এটা ইউনিফৰম প্ৰাইজ পলিচি ঠিক

কৰিছোঁ। ৰেলেৰে আনিলে দাম কম হয়, জাহজেৰে আনিলে দাম অলপ বাঢ়ে আৰু চাবচিডি বা বাস্তাৰে আনিলে দাম বেছি হয়। গুৱাহাটীৰ মানুহে ৰেলেৰে চিমেন্ট আনিলে সস্তা দামত পায়, কিন্তু যোৰহাট বা জোনাইৰ মানুহে চিমেন্টৰ কাৰণে বেছি দাম দিব লগা হয়। আমি কেন্দ্ৰীয় চৰকাৰৰ সন্মতি সাপেক্ষে প্ৰতি বস্তা চিমেন্টৰ দাম ২৬'৯৫ টকা ঠিক কৰিছো।

শ্ৰীমুকুট শৰ্মা ঃ— মই জানিব বিচাৰিছো যে জিলা বা মহকুমাত যি চিমেন্ট বিতৰণ কৰা হয় সেইটো কি ভিত্তিত কৰা হয়? জনসংখ্যাৰ ভিত্তিত কৰা হয় নে কি ভিত্তিত কৰা হয়?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— প্ৰত্যেক জিলাৰ ডি, চি আৰু এচ, ডি, ও, সকলে সেই জিলাত বা মহকুমাত মাহিলী কিমান চিমেন্টৰ প্ৰয়োজন হয় তাৰ ডিমাণ্ড দিয়ে আৰু ডিমাণ্ডৰ ভিত্তিতেই এলোটমেন্ট কৰা হয়।

শ্ৰীমতী আনোৱাৰা টাইমুৰ :— মন্ত্ৰী মহোদয়ে, (গ) প্ৰশ্নৰ উত্তৰত কৈছে যে বিলাতী মাটিৰ বিতৰণ পদ্ধতি ত্ৰুটিপূৰ্ণ বুলি ভবা হোৱা নাই। আৰু প্ৰতিবস্তা চিমেন্টৰ দাম ২৬'৯৫ টকা বুলি কৈছে। কিন্তু বজাৰত ৪০।৪৫ টকা দিলে চিমেন্টৰ অভাব নাই। গতিকে মন্ত্ৰী মহোদয়ে এইটো ভাবেনে যে দুখন সমান্তৰাল বজাৰ চলি আছে। এখন নিয়ন্ত্ৰীত বজাৰ আৰু আন এখন চোৰাং বজাৰ? ২৬'৯৫ টকাত চিমেন্ট পোৱা নাযায় কিন্তু ৪০,৪৫ টকা দিলে চিমেন্ট পোৱা যায় এইটোৰ পৰাই চৰকাৰৰ বিতৰণ ব্যৱস্থা ত্ৰুটি পূৰ্ণ হৈছে বুলি নাভাবেনে? যদি ভাবে তাৰ কি ব্যৱস্থা কৰিছে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— তেনেধৰণে ৪৫ টকাত চিমেন্ট যোৱা বছৰ ফেব্ৰুৱাৰী মাহৰ পৰা এপ্ৰিল মাহলৈকে তেনেকুৱা কাৰবাৰ চলি

আছিল কিন্তু মই মাননীয় সদস্যসকলক জনাবলৈ পাই সুখী হৈছো যে তেনেকুৱা যিবিলাক ঘাটি গুৱাহাটীত আছিল সেইবিলাক ধৰা হৈছে আৰু তেওঁলোকৰ ওপৰত আইন সঙ্গত ব্যৱস্থা লোৱা হৈছে। গতিকে মই মাননীয়া সদস্যাক জনাববিচাৰিছো যে এই ৪০। ৪৫ টকাত চিমেণ্ট বিক্ৰী হোৱাৰ বাতৰিটো এটা উৰা বাতৰি। আমাৰ হাতলৈ তেনেধৰণৰ বাতৰি আজিলৈকে অহা নাই।

শ্ৰীদিলেশ্বৰ তাঁতী :— অসমৰ যোগান বিভাগৰ ফালৰ পৰা চাহ বাগিছা বিলাকত চিমেণ্টৰ যোগানৰ দায়িত্ব নাই বুলি কৈছে আৰু এই দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ বুলি কৈছে। আনহাতে বাগিছা বনুৱা আইন কৰি বাগিছা কৰ্তপক্ষক বনুৱাৰ ঘৰ-দুৱাৰ মেৰামতিৰ দায়ত্ব চৰকাৰৰ ফালৰ পৰা দিয়া হৈছে। কিন্ত বিলাতী মাটি বিতৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব আছে ৰাজ্য চৰকাৰৰ নাই বুলি কৈছে। এইটো কেনেধৰণৰ কথা। হাউচ বিল্ডিঙৰ ক্ষেত্ৰত বাগিছা কৰ্তৃপক্ষই যে বিশেষ কিছুমান অসুবিধাৰ সন্মুখীন হৈ আহিছে এইটো কথা চৰকাৰে নাভাবেনে আৰু ইয়াৰ দায়ত্ব চৰকাৰৰ নাই বুলি ভাবেনে। চিমেণ্টৰ অভাবৰ কাৰণে বাগিছাৰ ঘৰ দুৱাৰ হোৱা নাই এই কথা নাভাবেনে যদি ভাবে তাৰ কাৰণে কি কি ব্যৱস্থা কৰিছে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই সংক্ৰান্তত চাহ বাগিছাৰ যিবিলাক অনুস্থান আছে তেওঁলোকৰ লগত আমি আলোচনা-বিলোচনা কৰিছো। আমাৰ মূখ্যমন্ত্ৰী আৰু বনুৱা মন্ত্ৰীয়ো কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগ মন্ত্ৰী শ্ৰীজৰ্জফাৰ্ণাণ্ডেজৰ লগতো আলোচনা কৰি আমাৰ ফালৰ পৰা সহায় কৰি বাগানৰ বনুৱাৰ ঘৰ-দুৱাৰ বনোৱাত যিখিনি চিমেণ্টৰ দৰকাৰ সেই খিনি দিলে কাম হাতত লোৱা হব। আমাৰ দায়িত্ব নাই বুলি কোৱা নাই। তেওঁলোকে যিহেতু ইণ্ডাষ্ট্ৰিয়েলৰ চেপাৰেট

কোটাৰ পৰা চিমেণ্ট পায় । গতিকে আমাৰ দায়িত্ব নাই বুলি কোৱা নাই, বেলেগ চিষ্টেম বুলিহে কৈছো ।

শ্রীনুরুল হুদা ঃ— স্যার, এই বর্তমান জনতা সরকার আসার আগে থেকেই আমরা দেখ্‌ছি যে বিভিন্ন জেলায় অত্যন্ত জরুরী প্রয়োজনে খুব অল্প হলেও ( ২। ৪ ব্যাগ হলেও ) সিমেণ্ট পাওয়া খুবই শক্ত ব্যাপার । গত ১ বৎসরেও এই অবস্থার কোন উন্নতি হয়েছে বলে আমরা মনে করিনা । অথচ মাননীয় মন্ত্রী মহাশয় বলেছেন যে, পদ্ধতিতে এখন সিমেণ্ট দেওয়া হচ্ছে এই পদ্ধতি ত্রুটিপুর্ণ বলে তিনি মনে করেন না । আমি মাননীয় মন্ত্রী মহোদয়ের নিকট থেকে জানতে চাই যে এই ব্যাপারে সরকার আরও অনুসন্ধান করবেন কি না এবং বিভিন্ন জেলা কেন্দ্র জনসাধারনের যে সতন্ত্র ছোট খাটো চাহিদায় সিমেন্টের প্রয়োজন হয় সে ক্ষেত্রে সিমেন্টের বন্টনের বর্তমান পদ্ধতির আরও উন্নতি করা যায় কি না একথা মন্ত্রী মহোদয় ভেবে দেখবেন কি ?

শ্রীদুলাল চন্দ্র বৰুৱা (মন্ত্ৰী) :— আমাৰ এতিয়া যিটো পদ্ধতি চলি আছে এই ক্ষেত্ৰত মযো মাননীয় সদস্যৰ লগত একমত । যিটো পদ্ধতি আমি শুদ্ধ বুলি ভাবিছো সময়ত কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত যথেষ্ঠ পৰিমাণে বিজুতি থাকিব পাৰে তলৰ লেভেলত । গতিকে এতিয়া আমি এনেকুৱা প্ৰচেষ্টা লৈছো যে গোটেই বস্তুটোকে ষ্টেটট্ৰেডিক দিয়া হৈছে । ষ্টেটট্ৰেডে গ্ৰাম্যাঞ্চলত ঠায়ে ঠায়ে গোদাউন ৰাখিব, ডি, চি, এচ, ডি, ও, ই পাৰমিট ইচু কৰিলে তাৰ পৰা পৰাই চিমেণ্ট ইচু কৰা হব । কিন্তু তাত এখন ৰেজিষ্টাৰ থাকিব । সেই ৰেজিষ্টাৰ খনত চিমেণ্ট নিওঁতে নিয়োতা জনৰ চহী থাকিব । এইটো যদি এফেকটিভ হোৱা নাই বুলি মাননীয় সদস্যাই পৰামৰ্শ দিয়া মতে ভাবো তেতিয়াহলে বিতৰণ ব্যৱস্থাটো শক্তিশালী

কৰিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিব ।

শ্ৰীদেৱান জয়নাল আবেদিন :— যোগান বিভাগৰ বিতৰণ ব্যৱস্থা চোৱাচিটা কৰিব কাৰণে প্ৰত্যেক মহকুমাতে চাবডিভিজনেৰ এডভাইচৰী বোৰ্ড থকাৰ কথা মন্ত্ৰী মহোদয়ে জানেনে ? এতিয়া এই ব্যৱস্থাটো আছে নে নাই ? প্ৰতি মহকুমাতে এনেধৰণৰ যোগান উপদেষ্টা কমিটিয়ে কাম কৰি আছে নেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মহকুমা উপদেষ্টা কমিটি আগতে আছিল সেইখন পুনৰ গঠনৰ কাৰণে ব্যৱস্থা কৰি আছো ।

শ্ৰীনৰেন দত্ত :— মন্ত্ৰী মহোদয়ে উত্তৰত কলে যে ৪০।৪৫ টকাত চিমেন্ট বিক্ৰী হোৱাৰ খবৰটো তেখেতে পোৱা নাই । আমি জনাত বাস্তৱ অভিজ্ঞতাৰ পৰা দেখিছো যে সমান্তৰাল দুখন বজাৰ চলি আছে । এখন চৰকাৰৰ নিয়ন্ত্ৰিত বজাৰ আৰু আনখন ব্যৱসায়ীৰ চোৰাং বজাৰ । মন্ত্ৰীৰ এই উত্তৰে চোৰাং ব্যৱসায়ী সকলক উৎসানীতি কৰা নাইনে ? এই চোৰাং বজাৰ ব্যৱস্থাটো বন্ধ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, সিদিনা এজন মাননীয় সদস্যৰ পৰা চোৰাং বজাৰত চিমেন্ট বিক্ৰী হোৱাৰ খবৰ পাই লগে লগে পুলিচ বিষয়া আৰু আমাৰ বিষয়া অনুসন্ধানৰ কাৰণে তালৈ গৈ দেখিলে যে যিবিলাক ফৰেণ চিমেন্ট পলিথিন বেগত আনিছিলে সেই পলিথিন বেগ বিলাক বাহিৰত পৰি থকা দেখি কলে যে চিমেন্ট চোৰ কৰি বিক্ৰী কৰা হৈছে । এনেধৰণৰ কিছুমান অসত্য খবৰ আমি পাইছো । মাননীয় সদস্যই যদি প্ৰকৃত তথ্যৰে আঙু-লিয়াই দিব পাৰে তেতিয়াহলে আমি তাৰ ব্যৱস্থা কৰিম । লগতে এই বজাৰ বন্ধ কৰিবৰ কাৰণে যিবিলাক চিমেন্ট ডিলাৰচ আছিলে

বা মিডিল মেন আছিল সেই সকলৰ পৰা আনি এণ্ৰিয়া ষ্টেট-ফেডক সংগ্ৰহ কৰিবলৈ দিয়া হৈছে। ইয়াৰোপৰি যদি কিবা বেলেগ ব্যৱস্থা লব লাগে তেতিয়াহলে সেইটোও লবলৈ আমি প্ৰস্তুত আছো।

শ্ৰীবিপিন হাজৰিকা :— আমাৰ চৰকাৰৰ চিমেণ্ট বিলাক ৰাখিবৰ কাৰণে ষ্টেটট ওৱেৰ হাউচিং কৰপোৰেচনৰ গুদাম ব্যৱহাৰ কৰা হয় নে ষ্টেটটফেডৰ গুদাম ব্যৱহাৰ কৰা হয় নে আন কোনো প্ৰাইভেট ফাৰ্ম বা ব্যক্তিৰ গুদাম ব্যৱহাৰ কৰা হয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :— এইটো আচলতে বেলেগ প্ৰশ্ন আহিব। কিন্তু ষ্টেটটফেডে সংগ্ৰহ কৰা বিলাক এক অক্টোবৰত সিদ্ধান্ত লোৱা অনুসৰি ষ্টেটট ওৱেৰ হাউচিঙৰ গুদাম বা ষ্টেটটফেডৰ গুদাম বা আমাৰ যোগান বিভাগৰ গুদামত ৰখা হয় তাৰ বাহিৰে আন ঠাইত চিমেণ্ট ৰখা হোৱা নাই।

শ্ৰীচামচুল হুদা :— চিমেণ্ট যে খোলা বজাৰত বিক্ৰি হৈ আছে তাৰ কাৰণে চিমেণ্ট দিয়াৰ আগতে অনুসন্ধান কৰাৰ সলনি চিমেণ্ট দিয়াৰ পিচত তদন্ত কৰাৰ ব্যৱস্থা কৰিলে বিভাগ বিলাকৰ কাৰণে দিয়া চিমেণ্ট যে শতকৰা নব্বৈ ভাগেই ব্লেক হৈ আছে তাৰ প্ৰমান পোৱা যাব আৰু তেতিয়াহলে সেইবিলাক বন্ধ হব। এইটো ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা কৰিব নোৱাৰেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগন মন্ত্ৰী) :— এইটো চিন্তা কৰি চাম।

শ্ৰীনগেন বৰুৱা :— মাননীয় সদস্য কেইবাজনেও কৈছে যে চোৰাং বজাৰত

চল্লিশ টকাৰ ওপৰত চিমেণ্ট পোৱা যায় অচলতে সেইবিলাক চিমেণ্ট বিভিন্ন বিভাগৰ কাম বিলাকৰ কাৰণে যি চিমেণ্ট দিয়া হয় তাৰ পৰা ঠিকাদাৰ আৰু অন্যান্য কৰ্ম্মকৰ্ত্তা সকলে যি ভাৱে কামত খটুৱাব লাগে সেই ভাৱে ব্যৱহাৰ নকৰি বাহিৰত বিক্ৰী কৰে। সেই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :— মাননীয় সদস্যৰ জ্ঞাতাৰ্থে জনাওঁ যে এই কাৰণতে এটা ভিজিলেন্স চেল কৰা হৈছে আৰু বিভাগ বিলাকৰ দিয়া চিমেণ্ট কেনেভাৱে ব্যৱহাৰ কৰা হৈছে নহৈছে অনুসন্ধান কৰাৰ কাৰণে। এতিয়ালৈকে তেনে ধৰণে চিমেণ্ট বিক্ৰী কৰাৰ অভিযোগ পোৱা নাই। চোৱাং বজাৰত চৰকাৰী চিমেণ্ট বিক্ৰী কৰাৰ খবৰ পোৱা নাই।

শ্ৰীহেমেন দাস :— মন্ত্ৰী মহোদয়ে কৈছে যে পলিথিন বেগত থাকিলে চিমেণ্ট নষ্ট হয় কাৰণে মৰাপাটৰ বস্তাত ভৰোৱা হৈছে। কিন্তু মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বিদেশৰ পৰা অহা পলিথিন বেগত চল্লিশ কেজিৰ বস্তাত চল্লিশ কেজি পুৰা থাকে আৰু জোকাৰি দিলে তাৰ পৰা বৰ বেচি নোলায় কিয়নো তাত লাগি নাথাকে কিন্ত মৰাপাটৰ বস্তাত চিমেণ্ট ভৰোৱাৰ পিচত বস্তা জোকাৰি পোৱা চিমেণ্ট ভৰাবলৈ কিমান টা বস্তা কিনা হৈছে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :— এইটো প্ৰশ্নই ঠিক নহল।

মঃ ইদ্ৰিচ :— আমাৰ চিমেণ্টৰ নাটনি হোৱা কাৰণে বিদেশৰ পৰা পলিথিনৰ বেগত চিমেণ্ট আহিছে কিন্ত এই চিমেণ্টৰ নিয়ন্ত্ৰিত ব্যৱস্থা কৰিবলৈ কিমান পৰিমাণৰ চিমেণ্ট আহিছে চৰকাৰে জানেনে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :— বেছি অহা নাই। পঞ্চাশ হেজাৰ মেট্ৰিক টন আহিছে এইটো কেৱল পাওৱাৰ আৰু ইৰিগেশ্যনৰ কাৰণে ইয়াৰ মাৰ্ক কৰি দিছে। আমাৰ কোটাৰ উপৰিও এই খিনি পঠিয়াইছে কেন্দ্ৰীয় চৰকাৰৰ পৰা।

শ্ৰীঅজয় দত্ত :— মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰাইভেট ফাৰ্মৰ লগত কোনো সম্বন্ধ নাই কিন্তু তেখেতে জানে নে নাজানে যে যোৱা জানুৱাৰী মাহত আমাৰ যোগান বিভাগৰ গুৱাহাটী হোলচেল কো-অপাৰেটিভৰ সমবায় সমিতিৰ পৰা এজন বিশেষ পান্নালাল আগৰৱালাৰ পৰা চিমেণ্ট অনাৰ কাৰণে আদেশ দিছিল ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :— এইটো আমাৰ চৰকাৰ ফালৰ পৰা দিয়া নাই। মাননীয় সদস্যই যিটো কৈছে সেইটো আগতেই কৰ লাগিছিল যদি তেনে ধৰণৰ কোনো বন্দবস্ত কৰিছিল সেইটো আমি কব নোৱাৰো। আমাৰ যোগান বিভাগৰ পৰা তেনে নিৰ্দ্দেশ দিয়া নাই। যদি নিৰ্দ্দেশ দিয়া বুলি মাননীয় সদস্যই দেখুৱাই দিব পাৰে তেতিয়াহলে বিহিত ব্যৱস্থা লোৱা হব।

শ্ৰীমুকুট শৰ্ম্মা :— মন্ত্ৰীমহোদয়ে কৈছে যে এই চিমেণ্ট জলসিঞ্চন বিভাগৰ কাৰণে দিছে কিন্তু এনে ইনফৰমেচন এজন মাননীয় সদস্যই দিছিল যে বিদেশী চিমেণ্ট পলিথিন বেগৰ পৰা থৈলাৰ বেগত সোমাইছে। চৰকাৰী ভাৱে অনা চিমেণ্ট এজন প্ৰাইভেট ব্যৱসায়ীয়ে কেনেকৈ পলিথিন বেগৰ পৰা থৈলাৰ বস্তাত ভৰাবলৈ পালে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :— প্ৰাইভেট ব্যৱসায়ীয়ে কৰা নাই। বিদেশী চিমেণ্ট জলসিঞ্চন বিভাগৰ গুদামতে ৰখা হৈছে। সেইটো মাননীয় সদস্যই কোৱাকথাটো পলিথিন বেগ নহয় পেপাৰ বেগহে

হব লাগে । জলসিঞ্চন বিভাগত কৰিছিল ।

শ্ৰীবিপিন হাজৰীকা ঃ— চিমেন্ট কঢ়িয়াবৰ কাৰণে ষ্টেটফেডে এজেন্ট নিয়োগ কৰিছিল নে কি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) ঃ— ষ্টেটফেডে নিজৰ ট্ৰাকৰ বন্দবস্ত কৰিছিল ।

Re :— Construction of Subansiri Dam at Gerukamukh

Shri Lakhya Nath Doley asked :

*34 Will the Minister, Elood Control be pleased to state—

(a) Whether Investigation for Construction of Subansiri Dam at Gerukamukh will be Completed within the year 1978-79 ?

(b) If not, when it is likely to be completed ?

(c) Whether the Project will be single -purpose or multi-purpose project ?

Shir Ramesh Mohan Kouli, (Minister, Flood Control) replied :

34: (a)— No:

(b)— Feasibllity investigations are likely to be completed in by 1980-81.

(c)— The Project is likely to be multi-purpose one.

শ্ৰীলক্ষ্যনাথ দলে :— এইটো প্ৰজেক্ট মালটিপাৰপাচ বুলি মন্ত্ৰী মহোদয়ে কৈছে । কি কি পাৰপাচ সেইটো জানিব বিচাৰিছো।

Shri Romesh Mohan Kouli ( Minister ) :— After the Preliminary survey and investigation the Dam will be constracted which will generate tremendoums amount of hydel power.

শ্ৰীলক্ষ্যনাথ দলে :— এইটো অনুসন্ধান অসম চৰকাৰৰ ইঞ্জিনিয়াৰ সকলে কৰিছে নে ভাৰত চৰকাৰৰ পৰা কোনো বিশেষজ্ঞ আহি অনুসন্ধান কৰিছে সেইটো জনাব লাগে ।

শ্ৰীৰমেশ মোহন কুলি ( মন্ত্ৰী ) — সেই দুয়োটাই হয়, তাৰোপৰি আসাম চাৰৰ্ভে, চাৰৰ্ভে অব ইণ্ডিয়া, মেটেৰিলজিকেল আৰু চেণ্ট্ৰল ইনষ্টিটিছন ইত্যাদি বিভাগ আৰু অনুস্থানৰ পৰা এই বিষয়ত সহায় আৰু পৰামৰ্শ লোৱা হৈছে ।

শ্ৰীমতী আনোৱাৰা টাইমুৰ :— এই সোৱনশিৰি দামৰ নিৰ্ম্মানত এতিয়ালৈকে কিমান টকা খৰচ হৈছে ?

শ্ৰীৰমেশ মোহন কুলি ( মন্ত্ৰী ) :— এষ্টিমেটেদ কষ্ট ৪৯’১৪ লাখ টকা।

শ্ৰীঅতুল গোস্বামী :— এতিয়ালৈকে সোৱনশিৰি দামত যি খিনি ইনৱেভষ্টিগেশ্যন কাৰ্য্য আৰম্ভ হৈছে তাত কিমান টকা খৰচ কৰা হৈছে ?

শ্ৰীৰমেশ মোহন কুলি ( মন্ত্ৰী ) :— মই এষ্টিমেটেদ কষ্টটো দেখুৱাইছো, প্ৰাৰম্ভিক যিটো অনুসন্ধান আৰম্ভ হৈছে সেইটো চাৰৰ্ভে কৰোতে ১ লাখ ৪ হাজাৰ ৮শ ৯৪'৮০ পইচা খৰচ হৈছে আৰু দিটেইলচ ইনভেষ্টিগেশ্যনত ৪২ লাখ ৪২ হাজাৰ ১৩১’৫৮ পইচা ডিচেম্বৰ ১৯৭৮

চনলৈ খৰচ কৰা হৈছে ।

শ্ৰীঅতুল গোস্বামী :— এই কাৰ্য্যবিলাক কৰোতে নদীৰ কাষতে বা ওচৰত ভেনে ধৰণৰ কিবা অফিচ কৰা হৈছে নেকি? নে দিচপুৰত সেই অফিচ চলি আছে?

শ্ৰীৰমেশ মোহন কুলি ( মন্ত্ৰী ) :— সেইটো গেৰোকামুখত অফিচ আৰম্ভ কৰা হৈছে, উত্তৰ লক্ষীমপুৰৰ দিভিজনেল অফিচতো কাম আৰম্ভ কৰা হৈছে ।

Starred Question No. 35 was not put, the Member being absent.

বিষয় ঃ মৰিগাওঁ টাউন কমিটিৰ নিৰ্ব্বাচন

শ্ৰীকালিৰাম ডেকা বাজাই সুধিছে ঃ

*৩৬। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মৰিগাওঁ টাউন কমিটিৰ নিৰ্ব্বাচন কিমান দিনৰ ভিতৰত পতা হব?

(খ) এই বিষয়ে চৰকাৰে কি ব্যৱস্থা লৈছে?

(গ) এই টাউন কমিটিৰ সমষ্টি নিৰ্দ্ধাৰণত অসন্তুষ্টি প্ৰকাশ কৰি ৰাইজে মন্ত্ৰীৰ ওচৰত আবেদন কৰা কথাটো সত্যনে?

(ঘ) যদি সত্য, তেন্তে চৰকাৰে এই বিষয়ে কেনে ব্যৱস্থা লৈছে?

শ্ৰীজহিৰুল ইছলাম ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

৩৬। (ক)— যিমান সোনকালে সম্ভৱ পতা হব।

(খ)— সোনকালে নিৰ্ব্বাচন পতাৰ ব্যৱস্থা লবলৈ মৰিগাওঁ মহকুমাধিপতিক নিৰ্দ্দেশ দিয়া হৈছে।

(গ)— সঁচা।

(ঘ)— আবেদনৰ ওপৰত মৰিগাঁও মহকুমাধিপতিৰ বিতং প্ৰতিবেদন বিচৰা হৈছে।

শ্ৰীকালিৰাম ডেকাৰাজা :— মৰিগাওঁ টাউন কমিটিৰ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত কি কি অৱস্থাৰ ওপৰত ভিত্তি কৰি কৰা হৈছে ? কাৰণ এই নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ৰাইজে অসন্তুষ্টি প্ৰকাশ কৰি মন্ত্ৰীৰ ওচৰত আবেদন কৰিছে

শ্ৰীজহিৰুল ইচলাম ( মন্ত্ৰী ) :— আইন মতে টাউন চহৰ বিলাকৰ কমিটি গঠন কৰিবলৈ ৪টা ওৱাৰ্ড থাকিব লাগে, আগৰ চৰকাৰে তাত ৫টা ওৱাৰ্ড পাতি দিয়াৰ কাৰণে তাত খেলিমেলি হৈ গ'ল, এতিয়া আগৰ এই ৫টা ওৱাৰ্ড ৪টা কৰিবলৈ যাওতে কিছুমান অসুবিধা আহি পৰিছে ।

মঃ ছামচুল হুদা :— এই মৰিগাওঁ টাউন কমিটিৰ এচেচমেণ্ট সম্পূৰ্ণ হৈছে নে নাই ?

শ্ৰীজহিৰুল ইচলাম ( মন্ত্ৰী ) :— হৈছে, নিৰ্ব্বাচনৰ কাৰণে সকলো কামেই হৈ আছে আৰু তেওঁলোকৰ ভোটাৰৰ অধিকাৰ দিয়া হৈছে ।

শ্ৰীকালিৰাম ডেকাৰাজা :— টাউন কমিটিৰ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত যদি চেয়াৰমেন জনে নিজ ইচ্ছামতে কাম কৰি যায় তেতিয়াহলে কেনে ধৰণৰ হয় আৰু যিটো কাৰণে তাৰ ভাইচ চেয়াৰমেন আৰু

কেইজন মান সদস্যই আপত্তি আনিছে, তেওঁলোকৰ মাজত এটা মতানৈক্যৰ সৃষ্টি হোৱা কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীজহিৰুল ইচলাম ( মন্ত্ৰী ) :— এইবিষয়ে এটা নিস্পত্তি আনিবৰ কাৰণেই এচ, দি, অৰ পৰা এই বিষয়ে এটা ৰিপোৰ্ট বিচৰা হৈছে।

শ্ৰীনিশীথ রঞ্জন দাস :— অধ্যক্ষ মহোদয়, জনতা দল ক্ষমতায় আসার পর কোন কোন নগরে এখনও পৌর নির্বাচন বাকী রয়েছে ? বদরপুর টাউন কমিটীর নির্বাচন কবে হবে মন্ত্ৰী মহোদয় জানাবেন কি ?

শ্ৰীজহিৰুল ইচলাম ( মন্ত্ৰী ) :— জনতা চৰকাৰ অহাৰ পিচৰে পৰাই সকলো মহকুমাতে নিৰ্ব্বাচন পাতিবলৈ চেষ্টা কৰা হৈছে, ইতিমধ্যে ১২টা মহকুমাত নিৰ্ব্বাচন হৈ গ'ল। আৰু বাকীবিলাকতো নিৰ্ব্বাচন সোনকালো পতা হব।

বিঃ ছমৰীয়াত খৰখৰী নদীৰ ওপৰত দলং নিৰ্ম্মাণৰ আঁচনি

শ্ৰীউমেশ চন্দ্ৰ দাসে সুধিছে :

* ৩৭ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বকো সমষ্টিৰ মাজেৰে যোৱা খৰখৰী নদীৰ উত্তৰ পাৰে বৰপেটা মহকুমাৰ চৰ অঞ্চলত ধৰি প্ৰায় ৪/৫ লাখ মানুহৰ ৰাস্তা ঘাটৰ কোনো সা সুবিধা নথকা কথাটো চৰকাৰে জানেনে ?

(খ) জনসাধাৰণৰ সুবিধালৈ চাই ছমৰীয়াত খৰখৰী নদীৰ ওপৰত চলিত বছৰৰ পৰাই এখন দলং নিৰ্ম্মাণ কৰিবলৈ চৰকাৰে ব্যৱস্থা লবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী য়ে উত্তৰ দিছে :

৩৭। (ক) বোক সমষ্টিত খৰখৰী নদীৰ উত্তৰ পাৰ অঞ্চলৰ মানুহে যাতায়তৰ কাৰণে ছমৰীয়া সোণতলী গড়কাপ্তানী ৰাস্তা ব্যৱহাৰ কৰিব পাৰে।

(খ)—বৰ্ত্তমান চৰকাৰৰ হাতত খৰখৰী নদীৰ ছমৰীয়া ঘাটত পকী দলং সজাৰ আঁচনি নাই।

শ্ৰীউমেশ দাস :— এই ছমৰীয়া খৰখৰি নদীৰ ওপৰত দলং খন নিৰ্ম্মাণ নোহোৱাৰ কাৰণে যাতায়তৰ সুবিধা কৰিব পৰা হোৱা নাই, এই বিষয়ে চৰকাৰে বিবেচনা কৰে নে?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই ৰাষ্টাটোত চলাচলৰ সুবিধাৰ কাৰণে দলং খন সজাৰ কাৰণে অনুসন্ধানৰ ব্যৱস্থা চলি আছে, দলং খন নথকাৰ কাৰণে ৰাইজৰ বিশেষ অসুবিধা হোৱা নাই কিয়নো ছমৰীয়া সোণতলী ৰাষ্টাতো উত্তৰ পাৰ অঞ্চলৰ মানুহে যাতায়তৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে। টকা-পইচালৈ লক্ষ্য ৰাখি নিশ্চয় দলং খন নিৰ্ম্মাণ কৰিবলৈ চেষ্টা কৰা হব।

শ্ৰীউমেশ দাস :— ছমৰীয়া অঞ্চলৰ পৰা মাত্ৰ ৮ কিলোমিটাৰ ৰাস্তাহে গড়কপ্তানী বিভাগৰ আছে, তেনে ক্ষেত্ৰত এই ৮কিঃ মিঃ ৰাস্তাৰে বৰপেটা অঞ্চলৰ বিৰাট এলেকাৰ মানুহৰ যাতায়তৰ সেৱা আগবঢ়াব পৰা হৈছে বুলি মন্ত্ৰী মহোদয়ে দৃঢ়কৈ কব পাৰে নে?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই দলং খন হলে ৰাইজৰ বিশেষ সুবিধা হব সেইটো সঁচা, কিন্তু এই দলং খন সম্পূৰ্ণ কৰি তুলিবলৈ ৩৫লাখ মান টকা লাগিব, চলিত বছৰত এই পৰিমানৰ টকা নাই সেইকাৰণেই ৬ষ্ঠ পৰিকল্পনাত এই বিবেচনা কৰা হব।

বিষয় ঃ পৰিকল্পনা আয়োগলৈ দিয়া গুৱাহাটী মহানগৰৰ পানী যোগান শিতানত ৰাজ্য চৰকাৰৰ আবেদন

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে ঃ

*৩৮। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে—

(ক) পৰিকল্পনা আয়োগে গুৱাহাটী মহানগৰৰ পানী শিতানত ৰাজ্য চৰকাৰৰ আবেদন নাকচ কৰা কথাষাৰ সচাঁনে ?

(খ) যদি সচাঁ হয় নাকচ কৰাৰ কাৰণ কি ?

শ্ৰীজহিৰুল ইছলাম ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৮। (ক) — সচাঁ নহয়।

(খ) — প্ৰশ্ন নুঠে।

শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামী ঃ— পানী যোগানৰ কাৰণে পৰিকল্পনা আয়োগে কিবা আৰ্থিক সাহায্য আগবঢ়োৱা বুলি কোৱা কথাটো সচাঁ নেকি ?

শ্ৰীজহিৰুল ইচলাম ( মন্ত্ৰী ) :— ১৯৭৮।৭৯ চনৰ কাৰণে কোনো মাষ্টাৰ প্লেন নাই ?

শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামী ঃ— এইটো কথা সচাঁ নেকি যে দয়াৰ বশবৰ্ত্তি হৈ পৰিকল্পনা আয়োগে পানী যোগানৰ কাৰণে ১০ লাখ টকা আগবঢ়াব বুলি কৈছে ?

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী) ঃ— চেন্‌ট্ৰেল পাবলিক হেল্‌ঠ ইঞ্জিনিয়াৰে প্ৰভি-

জিয়নেল হিচাবে ১০ লাখ টকা বিচাৰিছিল কিন্তু এতিয়ালৈকে কি হৈছে সেইবিষয়ে একো খবৰ পোৱা নাই।

Re : Constitution of Lanka Ad-hoc Town Committee

Shri Santi Ranjan Das Gupta, asked :

*39. Will the Minister, Municipal Administration be pleased to state—

(a) Whether it is a fact that the Minister, Municipal Administration has directed and/or advised the Deputy Commissioner, Nowgong to supply information about the following persons about their eligibility to become members of the proposed Lanka Ad-hoc Town Committee :

1. Sri Binapani Barman.
2. Sri Manjit Singh (Ali-as Maya Singh ).
3. Dr. Samsuddin Ahmed
4. Sri Omprckash Agarwalla.
5. Sri Anil Paul.
6. Sri Prafulla Paul .

(b) Is it a general principle that when such a necessity or occasion arises, it is the Deputy Commissioner to initiate the proposal ?

(c) If so, the reasons for violation of the said procedure in the instant ?

Shri Zahirul Islam ( Minister Municipal Administration ) replied :

39. (a)— Government have directed Deputy Commissioner, Nowgong to furnish the antecedants of these persons for consideration if a fresh Ad-hoc Town Committee can be constituted at Lanka.

(b) & (c)— As per provision of the Assam Municipal Act Government is to appoint the Commissioner. As such Government initiates sush proposal. Local Administration is consulted as and when Government considers it necessary.

Shri Santi Ranjan Dasgupta :— Sir, may I know from the Hon'ble Minister whether he knows that Dr. Samsuddin Ahmed was elected as Counciller of Laskar Bhalukmari A.P. who has also been named to be a Member of the Lanka Ad-hoc Town Committee ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী, ) : — অধ্যক্ষ মহোদয়, কমিচনাৰৰ ভিত্তিত আজিলৈকে হোৱা নাই। গাওঁ পঞ্চায়ত পৰ্যায়ত যদি চেক্রেটৰী বা মেম্বাৰ হৈ থাকে তেওঁ কমি.নাৰ হোৱাৰ প্ৰশ্ন নহৈ।

**Sri Santi Ranjan Das Gupta** :— Sir, whether the Minister knows that Shri Binapani Barman, Shri Omprokash Agarwalla, Shri Anil Paul and Shri Prafulla Paul these four persons out of 6 persons are rich man in Lanka and they are most rich people in Lanka town. Who gave their names to the Minister for inclusion in the list ?

**শ্ৰীজহিৰুল ইচলাম ( মন্ত্ৰী )** :— অধ্যক্ষ মহোদয়, ইয়াৰ এটা চাজেচন আহিছে । এতিয়ালৈকে কোনো সিদ্ধান্ত লোৱা হোৱা নাই ।

**শ্ৰীশান্তি ৰঞ্জন দাস গুপ্ত** :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে এইটো চাজেষ্ট কৰা হৈছে । কিন্তু মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে এই চাজেচনটো ক'ৰ পৰা আহিছে, এম, এল, এৰ ফালৰ পৰানে ডি, চিৰ ফালৰ পৰা আহিছে ?

**শ্ৰীমুকুট শৰ্মা** :— মাননীয় অধ্যক্ষ মহোদয়, লংকা টাউন কমিটিখন কিমান দিন এড্‌হক কৰি ৰাখিব ? আৰু নিৰ্ব্বাচন কিয় পতা হোৱা নাই সেইটো অনুগ্ৰহ কৰি মন্ত্ৰী মহোদয়ে জনাবনে ?

**শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী)** :— অধ্যক্ষ মহোদয়, এই লংকা টাউন কমিটিখন ১৯৭৫ চনৰ পৰাই এড্‌হক কৰি ৰখা হৈছে । গতিকেই নিৰ্বাচন পাতিব পৰা হোৱা নাই । কিন্তু অতি সোনকালেই নিৰ্ব্বাচন পতাৰ কাৰণে চেষ্টা কৰা হ'ব ।

**শ্ৰীমুকুট শৰ্মা** :— মাননীয় অধ্যক্ষ মহোদয়, যদি নিৰ্বাচন কৰাৰ যো-যা কৰাই হৈছে তেন্তে এই এড্‌হক কমিটিখন কিয় এতিয়ালৈকে ৰাখি থৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীহৰেন্দ্ৰ গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ লংকা টাউন কমিটিখন ২ বছৰৰ পৰা এড্ হক হৈ আছিল আৰু এই কমিটিখনক ১০ লাখ টকা অনুমোদন দিয়া হৈছিল। কিন্তু সেই ১০ লাখ টকা এচেপ্ট কৰা হ'ল নে নাই? আৰু সমুদাই টকা খৰছ হোৱাটো সঁচানে, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে? আৰু এই এড্ হক কমিটিখনৰ বেমেজালী আঁতৰাই সোনকালে নিৰ্ব্বাচন পতাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, যোৱা ২৭।১।৭৯ তাৰিখে এচেপ্টমেন্টখন কমপ্লিট কৰিছে। আৰু এই সম্পৰ্কে এটা চৰকাৰক নিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰীগোলক ৰাজবংশী :— মাননীয় অধ্যক্ষ মহোদয়, আগৰ কমিটিখন ভাঙি দি এড্ হক কমিটি পাতিবৰ কাৰণে কোনো এম, এল, এৰ পৰা চাজেচন আদি লোৱাৰ কোনো দৰকাৰ বা নিয়ম নাই নেকি? মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি কথাটো জনাবনে?

শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত :— চাৰ, এম,এল,এ জনে যদি লিষ্ট দিছে, সেই লিষ্ট পঠাবনে নাই?

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, যোৱা ১৪।৭।৭৭ তাৰিখেহে তেনে ধৰণৰ সিদ্ধান্ত লোৱা হৈছিল। সেই কাৰণে প্ৰয়োজন বোধ কৰা হোৱা নাছিল। নিৰ্বাচন পাতিলে এই বিষয়ে চিন্তা কৰা হ'ব।

Shri Santi Ranjan Das Gupta :—Is there any provision in the Municipal Act providing for the agency from which suggestion for the ad-hoc committees should be obtained?

Shri Zahirul Islam (Minister) :— There is no such definite provision in the act.

Shri Santi Ranjan Das Gupta :— Sir, whether in the Act there is any provision that Govt. will initiate the proposal or Govt. will ask the district authority to initiate the proposal and give names ?

Shri Zahirul Islam (Minister) :— Sir, I have given clearly in my reply that as per provision Govt. is to initiate such proposal and the local administration is consulted as and when Govt. considers it necessary.

Shri Md. Umaruddin :— The wholt point is that ehere is an official agency as per provision of the act which should sponsor the names. But in this case some other agency was consulted in the matter. It is wrong I should say.

Shri Zahirul Islam (Minister) :— Sir, There might be suggestion from any citizen. But Govt. is to initiate the proposal and before finalisation of the names, it is the procedure to consult the Dist. or Sub-Divisonal administration as the case may be and we follow that.

Shri Santi Ranjan Das Gupta : - Sir whether these 6 names have been sent from the Govt. and that these

6 persons will have to be appointed. Will the Govt. ask the Deputy Commissioner to send some more names after a thorough enquiry into the matter.

Shri Zahirul Islam (Minister) ) :— Govt. will consider the suggestion given by the hon'ble member.

শ্ৰীবানেশ্বৰ শইকীয়া : — মাননীয় অধ্যক্ষ মহোদয়, লংকা টাউন কমিটিৰ কাৰণে যি কেইজন সদস্যৰ নাম পঠোৱা হৈছে তাৰ মাত্ৰ ছজনৰ নামহে উল্লেখ কৰা হৈছে। আৰু এই ছজনৰ নামৰ তালিকা নগাওঁ জিলাৰ উপায়ুক্তৰ পৰামৰ্শ মতে কৰা হৈছে নে আন কাৰো- বাৰ পৰামৰ্শ লোৱা হৈছে। মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীজহিৰুল ইচলাম ( মন্ত্ৰী ) : — অধ্যক্ষ মহোদয়, এই বিষয় নগাওঁ জিলাৰ উপায়ুক্ত লৈ এনটিচিডেণ্ট দিয়া হৈছিল।

Shri Baneswar Saikia :-- Whether it is the local administration or whether the District administration has been consulted and asked to send the names and that is the appr. priate procedure. Whether the Govt. has asked the D. C to send some names for constitution of ad-hoc committee for Lanka.

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, নাম কেইটাৰ চাজেষ্ট কৰিবৰ কাৰণে ডি, চিৰ পৰা পৰামৰ্শ বিচৰা হৈছিল।

শ্ৰীবিপিন হাজৰীকা :— অধ্যক্ষ মহোদয়, পাব্লিক ৰিপ্ৰেজেণ্টেচনৰ ওপৰত ভিত্তি কৰি নাম কেইটা ডি, চি, লৈ পঠিওৱা হৈছিল। আইন মতে ডি, চি, য়ে নাম কেইটা চাজেষ্ট কৰি পঠাব লাগে। আৰু

কি চৰ্চৰ পৰা নামকেইটা সংগ্ৰহ কৰা হৈছে, ডি, চিৰ ফালৰ পৰা নে আমাৰ মন্ত্ৰীৰ ফালৰ পৰা, এই কথাটো মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই বিষয়ত বহু ধৰণৰ চৰ্চ থাকিব পাৰে।

শ্ৰীমতী আনোৱাৰা টাইমুৰ :— মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে ডাঙৰ ডাঙৰ টাউন কমিটিৰ নিৰ্বাচন ১২ খন ঠাই হৈ গ'ল । কিন্তু লংকাৰ টাউন কমিটিখনৰ নিৰ্বাচন পাতিবলৈ এনে কি অসুবিধা আছে যে ইয়াত ইলেক্সন পতাত অসুবিধা হৈছে ? মন্ত্ৰী মহোদয়ে এডহক নকৰি কিয় সোনকালে নিৰ্বাচন পাতিবলৈ সিদ্ধান্ত লোৱা নাই আৰু ইয়াত কি আসোৱাহ আছে যাৰ কাৰণে নিৰ্বাচন পতাত বাধা জন্মিছে ? এই আসোৱাহবোৰ অতি সোনকালে আতৰাই নিৰ্বাচন পতাতে আশ্বাস মন্ত্ৰী মহোদয়ে দিবনে ? আৰু বেমেজালিবোৰ অতি সোনকালে দুৰ কৰাৰ আশ্বাস মন্ত্ৰী মহোদয়ে দিবনে ?

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয় মাননীয়া সদস্যা গৰাকীয়ে জানেই যে ১৯৭৫ চনৰ পৰাই এই কমিটিখন এডহক হৈ আছে। ইয়াৰ আসোৱাহ দুৰ কৰিবলৈ সোনকালেই ব্যৱস্থা লোৱা হ'ব ।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— মাননীয় অধ্যক্ষ মহোদয়, লংকা টাউন কমিটিখন ১৯৭৫ চনৰ কোনে কি ধৰণে কৰিছিল আৰু কেনেকৈ আৰম্ভ কৰিছিল, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীজহিৰুল ইচলাম :— অধ্যক্ষ মহোদয়, আগতে এইটো চৰকাৰৰ ফালৰ পৰা নাম দিয়া হোৱা নাছিল ।

শ্ৰীজীৱন বৰা :— মাননীয় অধ্যক্ষ মহোদয়ে, এইটো কথা মন্ত্ৰী মহোদয়ে

জনাবনে যে আগতে যেতিয়া এডহক কমিটি পতা হৈছিল আৰু সেই কমিটিৰ সদস্যৰ নাম ৰাজ্য চৰকাৰৰ ফালৰ পৰা বাচিবলৈ তেওঁলোকৰ পৰা কিবা মতামত লোৱাৰ ব্যৱস্থা আছে নে ?

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, সোনকালেই ৰাজ্য চৰকাৰৰ ফালৰ পৰাই চাব লাগিব ।

Shri Gourisankar Roy :— May I know from the hon'ble Minister what is the actual purpose in the mind of the Minister for formation of this ad-hoc committee.

Shri Zahirul Islam, Minister:— I could not follow, sir.

Mr. Speaker :— Now nex questions 40 and 41 are being held up for next day's programme, i. e. as and when the Minister becomes available.

Starred Question Nos. 40 and 41 are being held up for next day's Programme.

বিষয় ঃ আহোম ভাষা জনা পণ্ডিত

শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ

* ৪২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত থকা আহোম ভাষাৰ আপুৰুগীয়া পুথিবোৰ পঢ়িবলৈ আৰু অনুবাদ কৰিবলৈ আহোম ভাষা জনা কেইজনমান পণ্ডিত নিয়োগ কৰা হৈছে নেকি আৰু যদি হৈছে

তেওঁলোকৰ সাধাৰণ শিক্ষাৰ আৰ্হতা কিমান আৰু দৰমহাৰ নিৰিখ *(Scale of pay)* কেনে ?

(খ) উক্ত বিভাগৰ আহোম শাখাটো *(Ahom Section)* উন্নত আৰু প্ৰসাৰ কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা কৰিছে নেকি ?

(গ) উক্ত বিভাগক পৰামৰ্শ দিবলৈ যিথন *(Advisory Board)* গঠন কৰি দিছে, সেই বৰ্ডৰ সদস্যসকলৰ নাম কি কি ?

(ঘ) উক্ত বোৰ্ডলৈ যিসকল সদস্য চৰকাৰে মনোনীত কৰিছে সেই সকলৰ ভিতৰত আহোম বুৰঞ্জী ভাষাৰ জ্ঞান আৰু বুৎপত্তি থকা লোক কেইজন আছে ?

(ঙ) যদি তেনে লোক নাই, তেন্তে কিয় লোৱা হোৱা নাই ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষা বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

৪২ । (ক) — এই বিভাগৰ আহোম শাখাত আহোম ভাষা জনা দুজন কৰ্ম্মচাৰী আছে ।

পদ (১) স্পেচিয়েল অফিচাৰ ফৰ আহোম ষ্টাডিচ ।
শিক্ষাৰ অৰ্হতা :— আহোম ভাষা জ্ঞান থকা স্নাতক ।
দৰমহাৰ নিৰিখ :— ৩৫০.০০-৭৫০.০০ টকা

(২) আহোম পণ্ডিত ।

শিক্ষাৰ অৰ্হতা :— আহোম ভাষা জ্ঞান থকা প্ৰবেশিকা পৰ্যায় ।

দৰমহাৰ নিৰিখ :— ২৬০.০০-৪০০.০০ টকা

(খ)— বৰ্ত্তমান তেনেধৰণৰ চিন্তা কৰা নাই

(গ)— সদস্যসকলৰ নাম তলত উল্লেখ কৰা হল।

১। শিক্ষা মন্ত্ৰী, অসম—সভাপতি।
২। ডঃ এচ, এন, প্ৰসাদ—সদস্য।
৩। ডঃ পি, চি, চৌধুৰী—সদস্য।
৪। ডঃ এচ, এন, শৰ্ম্মা—সদস্য।
৫। ডঃ এইচ, কে, বৰপুজাৰী—সদস্য।
৬। শ্ৰীএম, চি, দাস—সদস্য।
৭। শ্ৰীআৰ, গোস্বামী সদস্য।
৮। ডঃ বি, কে, ভট্টাচাৰ্য্য—সদস্য।
৯। শ্ৰীএচ, দাস—সদস্য।
১০। শ্ৰীবি, বি, হাজৰিকা—সচিব (আহবায়ক)।

(ঘ)— অহোম যুগৰ বুৰঞ্জীৰ জ্ঞান প্ৰায় সকলো সদস্যৰে আছে। আহোম ভাষাৰ জ্ঞান নাই।

(ঙ)— আহোম ভাষাৰ বুৎপত্তি থকা মানুহ পাবলৈ টান। আহোম ভাষাত যথেষ্ট বুৎপত্তি থকা ডঃ যোগেন ফুকন বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত থকা স্থায়ী এখন কমিটিৰ ৰিজিয়নেল ৰেকৰ্ড চাৰ্ভে কমিটি সদস্য। লাগতিয়াল পৰামৰ্শ আদি তেওঁৰ পৰাই পোৱা হয়।

শ্ৰীযোগেন গগৈ ঃ— অধ্যক্ষ মহোদয়, আহোম ভাষাৰ উন্নয়নৰ কাৰণে যাবতীয় ব্যৱস্থা নকৰাৰ কাৰণ কি? এই সম্পৰ্কে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) ঃ— ভাষা প্ৰচাৰৰ সিদ্ধান্ত লৈয়েই এই

ভাষাৰ পুথি সংগ্ৰহ কৰাৰ ব্যৱস্থা এই বিভাগে লৈছে। আৰু ১৩৭ খন পুথি ইতিমধ্যে সংগ্ৰহ কৰা হৈছে। এই গোটেই বুৰঞ্জী আৰু পুৰাতত্ত্বৰ প্ৰসাৰৰ লগতে এই বিভাগৰ প্ৰশ্নটো জড়িত। এতিয়ালৈকে এই বিভাগক কোনো প্লেনত স্থুৰা হোৱা নাছিল। এই বাৰ মাত্ৰ প্লেনত ধৰা হৈছে। আৰু এই ধন পালে আগলৈ আহোম ভাষা বুলিয়ে নহয় বিভিন্ন ভাষাৰ পুথি সমূহ অনুবাদ তথা বিকাশ কৰিবলৈ বিচৰা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— আহোম বুলি জানো ভাষা আছে, টাই ভাষা আছে বুলিহে শুনিছোঁ।

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— আহোম ভাষাই টাই ভাষা। কিন্তু প্ৰশ্নটোত আহোম ভাষা বুলি কোৱা কাৰণে আহোম ভাষা বুলি কোৱা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— টাই ভাষাই যদি হয় তেন্তে থাইলেণ্ডত টাই ভাষাৰ বিচাৰ্ছ কৰাৰ সুবিধা আছে। আমাৰ মানুহক তাত বিচাৰ্ছ কৰিবলৈ পঠোৱাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— এই বিলাক কৰাৰ কাৰণেই ধন বিচৰা হৈছে। আগতে প্লেনত ধৰাই হোৱা নাছিল। এতিয়া বিচৰা হৈছে। ধন পোৱা হলেই এই ভাষাৰ পুথিবোৰ অনুবাদ কৰাৰ ব্যৱস্থা কৰা হব।

শ্ৰীবানেশ্বৰ শইকীয়া :— এই যে এজন টাই ভাষাৰ স্নাতক বুলি কোৱা হৈছে, তেওঁ কৰ পৰা পাছ কৰিছে ?

Shri Lakhyadhar Choudhry ( Minister ) :— She is worring since two years approximately, appointed through

Assam public service commission.

শ্ৰীবানেশ্বৰ শইকীয়া ঃ— তেওঁ টাই ভাষাৰ স্নাতক কৰ পৰা লৈছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) ঃ— কোন বিশ্ববিদ্যালয়ৰ পৰা স্নাতক লৈছে মই অৱশ্যে ভালদৰে নাজানো। আহোম ভাষাৰ বিশেষজ্ঞ পোৱা বৰ টান। কেইবাবছৰো বিজ্ঞাপন দিয়া হৈছিল কিন্তু উপযুক্ত মানুহ পোৱা নগৈছিল। কিন্তু এই বাৰ ১৯৭৮ চনত বিজ্ঞাপন দিয়াত এগৰাকী মহিলাই এ, পি,এচ,চিৰ যোগেদি চাকৰি পাইছে। আৰু তেওঁৰ পৰা ইতিমধ্যে বহুতো ভাল কাম পোৱা হৈছে।

শ্ৰীবানেশ্বৰ শইকীয়া ঃ— ভাৰতবৰ্ষ তথা অসমৰ কোনো বিশ্ববিদ্যালয়ত টাই ভাষাৰ কিতাপ দিয়াৰ ব্যৱস্থাই নাই। গতিকে তেওঁনো কৰ পৰা স্নাতক উপাধি ললে জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— অৱশ্যে মই নাজানো খবৰ কৰি জনাব পাৰিম। এ, পি,এচ,চিয়ে দিছে যেতিয়া সন্দেহৰ কথা নাই।

শ্ৰীগোলক ৰাজবংশী ঃ— এই কৰ্ম্মচাৰী জন কৰ মানুহ ? আমাৰ নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) ঃ— উজনি অসমৰ সীমাৰ ভিতৰৰে মানুহ। মহিলা নহয় ছোৱালীহে।

শ্ৰীনৰেন দত্ত ঃ— কথা খিনি মন্ত্ৰী মহোদয়ৰ কিবা খেলিমেলি হৈছে নেকি ? আচলতে তেওঁ টাই ভাষাৰ জ্ঞান থকা স্নাতক নে টাই স্নাতক ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) ঃ— টাই ভাষাৰ তেওঁৰ জ্ঞান আছে। আনকি মই নিজেও মাজে মাজে টাই ভাষা শিকোঁ।

শ্ৰীযোগেন গগৈ ঃ— এই যে উপদেষ্টা সমিটি গঠন কৰা হৈছে কি ভিত্তিত

বা বেচিচত গঠন কৰা হৈছে জনাবনে ?

শ্ৰীলক্ষাধৰ চৌধুৰী ( মন্ত্ৰী ):— বুৰঞ্জীবিদ সকলক লৈয়েই কৰা হৈছে। আৰু ইয়াৰ লগত আমাৰ বিভিন্ন পৌৰাণিক ভাষাজ্ঞান থকা লোক আছে। ইয়াত ভাৰত চৰকাৰৰ নেচনেল আৰ্কলজিৰ এজন সদস্য আছে। শ্ৰীপি চি চৌধুৰী, এওঁৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক ( মুৰব্বী ) আছিল। শ্ৰীবৰপুজাৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক। শ্ৰীএচ,এন, শৰ্ম্মা এজন প্ৰখ্যাত সাহিত্যিক আৰু সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীমু-ৰাৰী দাস, যাদুঘৰৰ সহকাৰী ৰিউৰেটৰ, শ্ৰী গোস্বামী বৰ্ত্তমান বাজিাক পুথিভড়ালৰ গ্ৰান্থাগাৰ। শ্ৰীভট্টাচাৰ্য্য, নেচনেল এৱাৰ্ড পোৱা সাহিত্যিক আৰু পদ্মশ্ৰী। শ্ৰীএচ, দাস চামতা কলেজৰ বুৰঞ্জীৰ অধ্যাপক আৰু শ্ৰীহাজৰিকা ডিৰেক্টৰ !

**Mr. Speaker :**— Now the question hour is over.

Undisposed Starred question dated 27-2-79.

## বিষয়ঃ লক্ষীমপুৰ সদৰ বিধান সভা সমষ্টিৰ এলেকাত কুৱা বা নলীনাদ

শ্ৰীশূল বৰাই সুধিছেঃ

* ৪৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে --

(ক) লক্ষীমপুৰ সদৰ বিধান সভা সমষ্টিৰ এলেকাত খোৱা পানীৰ ব্যৱস্থা কৰিবলৈ মুঠ কিমান কুৱা আৰু নলীনাদ আৱশ্যক ?

(খ) এই এলেকাত খোৱা পানীৰ চাহিদা পুৰণ কৰিবলৈ কিমান

দিন লাগিব ?

ডাঃ কোষেশ্বৰ বৰা ( স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

৪৩ (ক)— আনুমানিক ৬০০ মান কুৱা বা নলীনাদ আৱশ্যক।

(খ) পুঁজি আৰু অন্যান্য কাৰিকৰী সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰে।

## UNSTARRED QUESTIONS AND ANSWERS

Date : 27th February, 1979

( To which answers were laid on the Table )

Re : Master Plan for Bongaigaon Town

Shri Mathura Mohan Sinha asked :

3. Will the Minister, Town and Country Planning be pleased to state—

(a) Whether a Master Plan for Bongaigaon Town was prepared during the year 1978 ?

(b) If so, the area covered by it ?

(c) Whether Government is aware that haphazard growth of population is going on in and around the town in view of its rapid develoment ?

(d) If so, whether Governmet will implement the said Master Plan in Bongigaon Town in order to

check this growth ?

**Shri Zabirul Islam, ( Minister Town and Country Planning ) replied :**

3\. (a)- All preliminaries for preparation of Master Plan for Bongaigaon have been Completed and action for preparing the Master Plan is under process.

(b)— Area of 87.33 sq. K. m. is proposed to be coverd by Bongaigaon Master Plan.

(c) & (d)— Yes.

## MISCELLANEOUS

**শ্ৰীচিৰাজুল হক :—** অধ্যক্ষ মহোদয়, বহিৰাগতৰ আলোচনা লৈ অসমত এটা উত্তপ্ত পৰিবেশৰ সৃষ্টি হৈছে। এই বহিৰাগতৰ কথালৈ আমাৰ সদনো একমত যে বাহিৰৰ পৰা ষি পৰিমাণৰ মানুহ অসমলৈ আহিছে.........

**মাননীয় অধ্যক্ষ :—** মাননীয় সদস্যই এটা বাক্যত শেষ কৰিলে ভাল হয়।

**শ্ৰীচিৰাজুল হক :—** তেখেত সকলক বহিস্কাৰ কৰাৰ কাৰণে আমিও একমত। কিন্তু ৰাতি ৰাতি গৈ যধে মধে ধৰি থকা হৈছে। কোনো স্পষ্ট নীতি চৰকাৰৰ তৰফৰ পৰা লোৱা হোৱা নাই।

**মাননীয় অধ্যক্ষ :—** এনেবিলাক আলোচনা ৰাজ্যপালৰ ভাষণৰ ওপৰতো আলোচনা কৰিব পাৰিব। স্পেচিফিক কিবা থাকিলে কব পাৰে।

শ্রীচিৰাজুল হক :— যোৱা কালি ৰাতি দুপৰত বৰপেটা মহকুমাৰ সৰভোগ সমষ্টিত শ্রীমতী কৃষ্ণাদাসী চৰকাৰ, শ্রীমোহনবাসী চৰকাৰ, শ্রীমতীলাল চৰকাৰ, আৰু শ্রীসুৰেশ চৰকাৰ, এইকেইজনক দুপৰ ৰাতি পুলিচে ৰেইট কৰি ধৰি লৈ গৈছে। অধ্যক্ষ মহোদয়, কৃষ্ণাদাসী চৰকাৰৰ বাহিৰে কিছুদিনৰ আগতে বাকী কেইজনক ধৰি লৈ বোৰডাৰত থৈ আহিছিল। শ্রীমতী কৃষ্ণাদাসী চৰকাৰক ধৰা হোৱা নাছিল কাৰণ তাই হেনো অসমতে জন্মগ্রহ কৰা ছোৱালী আৰু সেই সময়ত তাই গৰ্ভৱতীও আছিল। এই চাৰি জন মানুহ তাৰ পৰা ঘুৰি অহাৰ পিচত আকৌ যোৱা পৰহি কৃষ্ণাদাসী চৰকাৰ সহ আটাই কেইজনকে ধৰি লৈ গৈছে। এই সন্দৰ্ভত মই ৩০।১২।৭৮ তাৰিখে মুখ্যমন্ত্রীলৈ এখন দৰখাস্ত দিছিলো। আৰু মই বিচাৰিছিলো যে এই কেইজন মানুহক বিচাৰৰ কাৰণে আদালতলৈ পঠাব লাগে। তেওঁলোকে যদি নিজকে ভাৰতীয় নাগৰীক বুলি প্রমাণ কৰিব পাৰে তেতিয়াহলে তেওঁলোকে ইয়াত থাকিব পাৰিব, প্রমাণ কৰিব নোৱাৰিলে ইয়াৰ পৰা যাব লাগিব। মুখ্যমন্ত্রীয়ে ইয়াৰ উত্তৰত কামৰূপ এচ, পি, লৈ নিৰ্দেশ দিয়া বুলি মোলৈ চিঠি দিলে। কিন্তু বৰ দুৰ্ভাগ্যজনক কথা এচ, পি, কামৰূপে কি ধৰণৰ তদন্ত কৰিলে সেই সম্পৰ্কে আমি একো জানিবলৈ নাপালো। মই অতি দুখ পাইছো যে এচ, পি, কামৰূপৰ অধীনত হাউলী ট্ৰাষ্ট ফোৰ্চে কাম কৰি আছে। অন্যায়ৰ বিৰুদ্ধে যি খন দৰখাস্ত দিছিলো মুৰব্বী হিচাবে, সেই দৰখাস্ত খন এচ, পি কামৰূপক দিয়াটো দুৰ্ভাগ্যজনক হৈছে। গতিকে এই বিষয়ৰ ওপৰত মুখ্যমন্ত্রী তথা গৃহমন্ত্রীৰ স্পষ্ট নীতি কি এইটো মই জানিব বিচাৰিছো। আৰু যিসকল লোকে নিজে আইনৰ শুনানী লোৱাৰ অধিকাৰ আছে সেই অধিকাৰৰ পৰা বঞ্চিত কৰি বোৰডাৰলৈ পঠাই দিয়া হ'ল এই লোক সকলক ফিৰাই আনি আইনৰ আশ্রয়

সবলৈ সুবিধা দিয়াৰ ব্যৱস্থা কৰিবনে ? এই সম্পৰ্কত মই মুখ্য মন্ত্ৰীৰ পৰা এটা বিবৃতি আশা কৰিছো।

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— মাননীয় সদস্য জনে যিটো কথা বিশেষকৈ কেইজনমান লোকৰ ক্ষেত্ৰত কৈছে এই সম্পৰ্কে মই তদন্ত কৰিবলৈ দিছো আৰু তাৰ সবিশেষ সদনক জনাম। তেখেতে সামূহীক ভাবে এই বিষয়ে যিটো কথা কৈছে, এই বিষয়ৰ লগত সংশ্লিষ্ট নহয়। এই বিষয়ে পিচত আলোচনা কৰিব পৰা যাব।

Shri Altaf Hossain Mazumdar :— May I ask for clarification from the Chief Minister whether this method of Police determing the nationally is Constitutional ? Will the Chief Minister kindly quote under what provision this procedure of deportation summarily by police is followed : These atrocities are Commited in the whole State by police.

Mr Speaker :— The Hon'ble Member has referred this on so many occasions.

Shri Altaf Hossain Mazumdar :— This is illegal, unconstitutional and molestation of the Constitution.

Mr Speaker :— Hon'ble Member may ask the question when he speaks.

Shri Altaf Hossain Mazumdar :— May I know under what legal procedure or under what section of the law, this has been done by the Police ?

Mr Speaker :— Hon'ble Chief Minister will reply.

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— তেখেতে পাৰটিকুলাৰ কেইজনমান মানু হৰ বিষয়ে উৎথাপন কৰিছে। মই এইটো তদন্ত কৰি সদনক জনাম।

শ্ৰীমোঃ ছামচুল হুদা :— বিধান সভাৰ অধিবেশন চলি থকা অৱস্থাতেই এনেধৰণৰ ঘটনা কেনেকৈ হবলৈ পাইছে। যেৱা কালি মোহন দাস নামৰ এজন জাগীৰোডৰ মানুহক যিজনে জনতা পাৰ্টিৰ ফালৰ পৰা সদস্য পদৰ বাবে প্ৰতিদন্দিতা কৰিছিল, তেখেতক ৰাতি গৈ ধৰা বুলি নিজে আহি অভিযোগ কৰিছে। বিধান সভা চলি থকা অৱস্থাত এইবিলাক কেনেকৈ হবলৈ পাইছে? এই বিলাক চৰকাৰে লগাই দিছে নে চৰকাৰৰ বিৰুদ্ধে কোনোবাই পশ্চাত্‌ঘাতী কাম কৰিছে। ভাৰতীয় নাগৰীকৰ ওপৰত যাতে অত্যাচাৰ নহয় তাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীনেপাল চন্দ্ৰ দাস :— অধ্যক্ষ মহোদয়, আমার নির্বাচন কেন্দ্র, হাইলাকান্দি মহকুমার পাঁচগ্রাম বাজারে গত ১০।২।৭৯ তাং মঙ্গলবার রাত্রি ১২ টার সময় হটাত্‌ এক অগ্নি কাণ্ডের ফলে প্রায় ৮ টি দোকান ভস্মিভুত হয়ে যায় এবং প্রায় ১২ জন দোকনীর এই অগ্নি কাণ্ডের ফলে ক্ষতি হয়। সেইজন্য আমি এই ব্যাপারে মাননীয় মুখ্যমন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করছি যাতে অতি সত্বর......

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— যায়গাটি কোথায়?

শ্ৰীনেপাল চন্দ্ৰ দাস :— হাইলাকান্দি মহকুমার পাঁচগ্রাম বাজারে। সেইজন আমি সত্বর তাদেরকে পুনর্বাসন করার জন্য মন্ত্রী মহোদয়কে অনুরোধ করছি।

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— এ ব্যাপারে ব্যবস্থা গ্রহণ করা হবে।

## CALLING ATTENTION

শ্ৰীহৰেন্দ্ৰ গোস্বামী :— অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৭৯ চনৰ ২৯ জানুৱাৰী তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত "ৰক্ষকেই ভক্ষক" শীৰ্ষক বাতৰিটোলৈ বন বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো।

* শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, দৈনিক অসমৰ ১৯ জানুৱাৰী ১৯৭৯ তাৰিখে প্ৰকাশিত "ৰক্ষকেই ভক্ষক" শীৰ্ষক বাতৰিটোৰ ওপৰত মাননীয় সদস্য শ্ৰীহৰেন্দ্ৰ গোস্বামী আৰু শুল বৰাই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি বন মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰা চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। বাতৰিটোত কোৱা হৈছে যে আঞ্চলিক বন বিষয়া জনৰ অলপ সময়ৰ অনুপস্থিতিৰ সুযোগ লৈ ৫ জন বন কৰ্ম্মচাৰীয়ে ওচৰৰ এখন বিলত ৰাতি মাছ মাৰি বিক্ৰী কৰিবৰ কাৰণে ব্যৱস্থা কৰিছিল। বাতৰিটোত আৰু কোৱা হৈছে যে ঠিক সেই মুহুৰ্ত্তে আঞ্চলিক বন বিষয়া শ্ৰীৰাজেন সোনোৱাল উপস্থিত হয়হি আৰু এটা গোপন সূত্ৰৰ পম খেদি অতি তত্‌পৰতাৰে ৰাতিৰ ভিতৰতেই দুজন বেপাৰী সহ এই কৰ্ম্মচাৰী কেইজনক জাল আৰু মাছৰ সৈতে আটক কৰে। ঘটনাৰ প্ৰকৃত বিৱৰণ এনেধৰণৰ :—

যোৱা ১৫।১।৭৯ তাৰিখে ৰাতি কাজিৰঙা জাতীয় উদ্যানত থকা মিহিবিলত ৰাতি অবৈধভাৱে মাছ মৰা বুলি খবৰ

* Speech not corrected

পাই, ১৬।১।৭৯ তাৰিখে কাজিৰঙা ৰাষ্ট্ৰিয় উদ্যানৰ আঞ্চলিক বন বিষয়াই তেওঁৰ কৰ্ম্মচাৰী সকলৰ সহযোগত অবৈধভাবে মাছ মৰা ধৰা পেলায় আৰু ৪৯ টা মাছ জব্দ কৰে। সেইখিনি মাছ নীলামত ৭৭০'০০ টকাত বিক্ৰী কৰে। ১৭-১-৭৯ তাৰিখে বন সংমণ্ডল বিষয়াই অনুসন্ধান কৰি সৰ্ব্বশ্ৰী তুলসী চেতীয়াক সাময়িক-ভাৱে নিয়ুক্তিত বনপালক ৰাজেশ্বৰ ৰাভা, গেম ৱাট্‌চাৰ আৰু শ্ৰীবেট চেমা, ঘাচী, এই তিনিজন বন বিষয়া, ঘটনাৰ লগত জড়িত থকা প্ৰমাণ পায়। শাস্তিমূলক ব্যৱস্থা হিচাবে শ্ৰীতুলসী চেতীয়াক পূণৰ হেড গেম ৱাট্‌চাৰ নিম্ন পদলৈ নমাই দিয়া হয়। শ্ৰীৰাজেশ্বৰ ৰাভাক সাময়ীক ভাবে নিলম্বিত কৰা হয়। শ্ৰীবেট চেমাক কামৰ পৰা বৰ্খাস্ত কৰা হৈছে। শ্ৰীচেমাক মাত্ৰ কিছু-দিনৰ আগতে নিয়োগ কৰা হৈছিল। উপৰোক্ত ব্যৱস্থাৰ উপ-ৰিও তেওঁলোকৰ বিৰুদ্ধে বিভাগীয় গোচৰ তৰা হৈছে। এই ঘটনাৰ লগত জড়িত থকা বুলি সন্দেহ কৰি তলত উল্লেখ কৰা আন দুজন বন বিষয়াৰ বিৰুদ্ধেও বিভাগীয় তদন্ত চলাই থকা হৈছে। (১) শ্ৰীপানীৰাম বকতিয়াল, বনৰক্ষী (২) শ্ৰীবীৰেণ শইকীয়া, গেম ৱাট্‌চাৰ।

কাজিৰঙা জাতীয় উদ্যানত মুঠতে ৪৬ জন হোমগাৰ্ড নিয়োগ কৰা হৈছে। ঘটনাৰ ৰাতি মিহিবিল অঞ্চলত হোমগাৰ্ড কেইজন পহৰাত নাছিল। কাজিৰঙা জাতীয় উদ্যানত অবৈধ-ভাবে মাছ মৰা, জন্তু আদি বধ কৰা যাতে প্ৰতিৰোধ কৰিব পাৰি তাৰ বাবে বিভাগীয় কৰ্ম্মচাৰী সকলক সতৰ্ক কৰি দিয়া হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মই এটা স্পষ্টীকৰণ বিচাৰিছো, দেওঁ-পানী আৰু আন কিছুমান বিলত নিতৌ মাছ মাৰি থকা

দেখিবলৈ পোৱা গৈছিল। আনকি মাননীয় সদস্য বহুতেই সন্ধিয়া কাজিৰঙা ওচৰত মাছ বিক্রি হৈ থকা দেখিবলৈ পাইছে। তাৰোপৰি ফৰেষ্ট বিলাকত মাছ ধৰি প্ৰায় খানা চলি থাকে। এই বিষয়ে অনুসন্ধান কৰি ব্যৱস্থা লবনে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী):— ইয়াৰ ব্যৱস্থা লোৱা হব।

শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামী — দক্ষিণ কামৰূপ আৰু তেনে ধৰণৰ আন আন ঠাইতো বিশেষকৈ চানতুবি ৰেষ্ট কেম্পত বনবিভাগৰ বিষয়া সকলে বে-আইন ভাৱে মাছ ধৰি ভাত প্ৰায়েই খানা খাই থাকে। এই বিষয়ে কিবা খবৰ পাইছে নেকি?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী):— এতিয়ালৈকে কোনো খবৰ পোৱা নাছিলো।

## STATEMENT BY MINISTER

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী):— যোৱা কালি ইংলেণ্ড ওৱাটাৰ ট্ৰেন্সপটত ওৱাৰ্কাচৰ ধৰ্মঘটৰ সম্পৰ্কত এটা প্ৰস্তাপ উত্থাপিত হৈছিল। এই সন্দৰ্ভত ধৰ্মঘট কাৰি সকলৰ লগত আলোচনা কৰি বিধান সভাৰ মজিয়াত এই বিষয়ে এটা বিবৃত্তি দিম বুলি কৈছিলো। এতিয়া মই বিবৃত্তি দিব বিচাৰিছো। The Inland Water Transport Emplyees' Union sent a letter on the 9th Februay/79 enclosing a proceeding of the meeting of the State Executive Committee of the Union, stated to have held on 4th Februay/79. It appears from the proceeding that the Union decided to observe a three days' token strike on 24th, 25th and 2_th Februay/79. In the letter of 9th Feb/79 the

Union requested the Government to direct the authority concerned to have a bilateral discussion for settlement of the charter of Demands. The Government issued necessary instuctions to the Director, Inland Water Transport to hold the discussion with the Union in that respect.

The Director, Inland Water Transport accordingly held a discussion on the 15th February, 79 with the President and the General Secretary of the Inland Water Transport Employees' Union. The Director held a detailed discussion on all the items of the demands and agreed to consider certain demands which could have been settled at his level and informed them that he would submit proposals where Govt's orders were necessary. The Director Inland Water Transport requested the representatives of the Union not to resort to the threatened strike in view of the discussion held on that day and the representatives of the Union also expressed their satisfaction.

The Union, however, forwarded a copy of the minutes of the discussion held with the Directo, Inland Water Transport to the Government on 17th February/ 9 stating a bilaternl discussion with

the Govt. for final settlement of the demands before they resort to the token strike on 24th, 25th and 26th February, 1979. In the letter it was stated that if the demonds were not settled it would not be possible on the part of Union to call off the strike. The Govt. in their effort to explore all the possibilities of coming to a settlement and to avert the strike agreed to have a further discussion with the representatives of the Union on 23rd February/79.

In this discussion also the charter of demands were discussed and the points which were already settled as a result of the discussion with the Director, Inland Water Transport, Assam were explained and the representatives of the Union also were informed that the Govt. would consider sympathetically the proposals which the Director, Inland Water Tranport would submit to the Govt. on some of the demands of the Union. It was explained that the proposals which involved matter of policy and having financial implications would have to be examined by the Govt. before arriving at any final decision.

I, however, assured that the Govt. would consider sympathetically their unsettled demands and

I appealed to the Union to give up the proposed strike. The Union, however, later informed the Govt. about their decision to go on strike from the 24th February/79.

The srike has effected the ferry services almost in all the Major ferry ghats, excepting-a few service where lessees could manage to run the services through their own arrangements. The Government regret very much to the inconvenience caused to the travelling public, particularly that during the Siva Ratri Mela and also to that caused the people coming on important business when the State Legislative Assembly has been in session.

The Government would like to examine the grievances of their empoyees with sympathy and would try to settle them up as for as possible. In this effort of the Government, I will appeal to the people and to the Honourable members of the House to extend their full co-operation to the Govt:

## ANNOUNCEMENT BY SPEAKER

Mr. Speaker :— Befor I come to the next item I have an announcement to make. I have to inform the House that Shri Sarat Chandra Sinha

সুতরাং অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীরামেন্দ্র দে আজ যে গুরূত্বপূর্ণ প্রস্তাব এই সদনে পেশ করেছেন আমি মনে কচ্ছি তা অত্যন্ত প্রয়োজনীয় এবং এসম্পর্কে মাননীয় সদস্য শ্রীবীরেশ মিশ্র যথার্থই বলেছেন যে মূল সমস্যা দৃষ্টিভংগীর। পূজিপতিদের সেবা করার জন্য সরকার জনসাধারনকে বিভ্রান্ত করছেন। আজ সারা রাজ্যে জাতিতে ধর্মে ধর্মে, ভাষায় ভাষায় এক পরস্পর আত্মঘাতী সংঘর্ষে মানুষ মেতে উঠেছে। বহু আশা আকাংখা নিয়ে যে জনতা সরকারকে জনসাধারন এই রাজ্যে প্রতিষ্ঠিত করেছে যে এই সরকার আসামকে সম্মৃদ্ধশালী করবে, আসামের সার্বিক উন্নয়ন করবে, আসামে বেকার সমস্যার সমাধান করার জন্য শিল্পায়ন করবে, ব্রহ্মপুত্রের বন্যা নিয়ন্ত্রন করবে। কিন্তু এই সরকার যদি এসব না করে মানুষে মানুষে বিভেদ সৃষ্টি করতে দেয়, দেশকে যদি পূজিপতিদের হাতে শোষণের জন্য তুলে দেয় তাহলে এটা অত্যন্ত দুর্ভাগ্য জনক কথা। সুতরাং এবিষয়ে আমি সরকারে দৃষ্টি অকর্ষন করে বলতে চাই যে শ্রীরামেন্দ্র দে যে প্রস্তাব উত্থাপন করেছেন সেই প্রস্তাবের পরিপ্রেক্ষিতে আমাদের রাজ্যের এম্পলয়মেণ্ট এক্সচেঞ্জে রেজিষ্ট্রিভক্ত বেকারদের ভাতা দিয়ে জনতাদল তাদের কর্ত্তব্য পালন করুন এই টুকু করলেই সমস্যার সমাধান হবেনা তবে একটি প্রগতিশীল পদক্ষেপ হবে এবং এই বলেই আমি এই প্রস্তা-

বটি সমৰ্থন করে আমার বক্তব্য শেষ করছি।

শ্ৰীপুৰ্ণ বড়ো ঃ— অধ্যক্ষ মহোদয়, কমৰেড্ শ্ৰীৰামেন্দ্ৰ দে ডাঙৰীয়াই যি প্ৰস্তাৱ আনিছে এই প্ৰস্তাৱ সমৰ্থন কৰি মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। এই প্ৰস্তাৱটোত এমপ্লয়মেণ্ট এক্সচেঞ্জত যিসকল বেকাৰ ইতিমধ্যে তেওঁলোকৰ নাম পঞ্জিভুক্ত কৰিছে সেইসকলক ভাট্টা দিয়াৰ কাৰণে প্ৰস্তাৱ উত্থাপন কৰা হৈছে। আমাৰ অসমত ১৫ লাখৰো অধিক নিবনুৱা আছে। তাৰ ভিতৰত আঢ়ৈ লাখ পঞ্জিভুক্ত নিবনুৱা। এই নিবনুৱা সকলক বেকাৰ ভাট্টা দিয়াৰ কাৰণে এই প্ৰস্তাৱ আনা হৈছে। এই আঢ়ৈ লাখ নিবনুৱাক বেকাৰ ভাট্টা দিলেই বেকাৰ সমস্যা যে সমাধান নহয় সেইটো আমি সকলোৱে জানো। কিন্তু পঞ্জিভুক্ত আঢ়ৈ লাখ নিবনুৱাক যদি বেকাৰ ভাট্টা দিয়া হয় তেতিয়াহলে এইটোৱে বেকাৰ সমস্যা সমাধানৰ প্ৰথম পদক্ষেপ হ'ব।

অধ্যক্ষ মহোদয়, আমি জানো যে নিবনুৱা সমস্যাটো এটা জাতীয় সমস্যা নহয়। এইটো হৈছে এটা অৰ্থনৈতিক সমস্যা। এই সমস্যাটো আমাৰ দেশত সমাধান হোৱা নাই। কিন্তু এই কথাও ঠিক যে সমাজতন্ত্ৰৰ ডাঙৰ শত্ৰু জনেও স্বীকাৰ কৰিব যে সমাজতান্ত্ৰিক দেশত বেকাৰ সমস্যা নাই। আনহাতে পুঁজিবাদী দেশ সমূহত যেনে, বৃটেইন, আমেৰিকা আদি দেশতো বেকাৰ সমস্যা আছে। দেশত অগণন মানুহ নিবনুৱা হৈছে। আমাৰ দেশত নিবনুৱা সমস্যাৰ সৃষ্টি হৈছে পুঁজিবাদী পথেৰে দেশ পৰিচালিত হোৱাৰ কাৰণে। ১৯৪৭ চনত ক্ষমতা হস্তান্তৰৰ পিচতে বিশেষকৈ দেশৰ একচেটিয়া পুঁজিপতি দেশৰ শাসক সকলে অৰ্দ্ধ-সমাজবাদী সামন্তবাদী শোষণ আৰু সাম্ৰাজ্যবাদী শোষণৰ সৈতে আপোচ কৰিলে আৰু তাৰ কাৰণে সমগ্ৰ ভাৰতৰ্ষৰ জনগনে

দৰিদ্ৰ হব লগা হ'ল। আমাৰ অসমত ১ কোটি ৬২ লাখ মানুহ আছে। এই এক কোটি ৬২ লাখ মানুহৰ ভিতৰত এক কোটি ১২ লাখ মানুহেই গৰীব হৈছে। এই গৰীব শ্ৰেণীৰ ভিতৰতেই নিবনুৱা সকল আছে। অধ্যক্ষ মহোদয়, আমি জানো যে আমাৰ শিক্ষিত নিবনুৱা সকলক চৰকাৰে ভাট্টা দিয়াৰ বাবে ব্যবস্থা গ্ৰহণ কৰিব পৰা নাই। এই বেকাৰ ভাট্টাটো যেতিয়ালৈকে চাকৰী নাপাই বেকাৰ হৈ থাকিব তেতিয়ালৈকেহে দিবলৈ কোৱা হৈছে। চাকৰী পোৱাৰ পিচত বেকাৰ ভাট্টা দি থকাৰ প্ৰশ্ন নুঠে। এই শিক্ষিত নিবনুৱা সকলৰ উপৰিও লিখা পঢ়া নজনা অশিক্ষিত বহুত নিবনুৱা আছে। অসমৰ গাৱেঁ-ভূঞে বাস কৰা শতকৰা ৯৩ ভাগেই কৃষক। এই ৯৩ ভাগ কৃষকৰ ভিতৰত শতকৰা ৫০ ভাগৰ হাতত খেতি কৰিবৰ বাবে উপযুক্ত পৰিমাণৰ মাটি নাই। শতকৰা ৩০ ভাগেই বনুৱাত পৰিণত হৈছে। খেতি মজদুৰ ৪ গুণ বৃদ্ধি পাইছে। আৰু লগে লগে নিবনুৱা সৃষ্টি হৈছে। কিন্তু এই নিবনুৱা সমস্যা সমাধানৰ কাৰণে কিবা কাম হাতত লোৱা হৈছে নে? নিশ্চয় নাই লোৱা। জনতা দলৰ চৰকাৰ শাসনত অধিষ্ঠিত হৈ প্ৰতিশ্ৰুতি দিছিল যে ১০ বছৰৰ ভিতৰত নিবনুৱা সমস্যা সমাধান কৰা হব। কিন্তু তাৰ কি ব্যৱস্থা লৈছে? একো লোৱা নাই। যদি বেকাৰ সকলক ৮০।৯০ টকা প্ৰতি মাহে দিয়া হয় তেতিয়াহলে ই এক সামান্য সহায় হব। গতিকেই এই নিবনুৱা সকলক যদি ভাট্টা দিয়াৰ ব্যৱস্থা কৰা হয় ই নিশ্চয় এটা বলিষ্ঠ পদক্ষেপ হব। এই পদক্ষেপক প্ৰথম পদক্ষেপ হিচাপে আমি সকলোৱে আদৰিম। এই কাৰণেই মাননীয় সদস্য কমৰেড, ৰনেন্দ্ৰ দেৱে যি প্ৰস্তাব উত্থাপিত কৰিছে সেইটো নিশ্চয় যুক্তিসংগত হৈছে। সেয়ে মোৰ চমু বক্তব্যৰ জৰিয়তে এই প্ৰস্তাৱৰ সম্পূৰ্ণ সমৰ্থন আগ বঢ়াইছো। মই আশা ৰাখিছো সদ-

নৰ সকলো সদস্যই এই প্ৰস্তাৱত অনুমোদন জনাব।

* শ্ৰীদেবেন জয় নাল আবেদীন ঃ— মাননীয় অধ্যক্ষ মহোদয় কমৰেড ৰনেন্দ্ৰ দেব ডাঙৰীয়াই অসমৰ পঞ্জীয়ন ভুক্ত নিবনুৱা সকলক আৰ্থিক সকাহ দিবলৈ যি প্ৰস্তাৱ উত্থাপন কৰিছে মই সেই প্ৰস্তাৱক পূৰ্ণ সমৰ্থন সহযোগিতা আগবঢ়াইছো। অধ্যক্ষ মহোদয়, এই কথা ইতিপূৰ্ব্বে আলোচনা কৰা হৈ গৈছে যে নিবনুৱা সমস্যা পুজিবাদীৰ অৰ্থনীতিৰ এটা পৰিনতি। দেশৰ অৰ্থনৈতিক ক্ষেত্ৰত পুজিবাদী জাৰাই ৰখাৰ কাৰণে কিছুমান চৰকাৰে নিবনুৱা সমস্যাৰ কথা কলে সেই কথা সেই প্ৰতিশ্ৰুতি মাথোন, নিৰ্বাচনৰ প্ৰতিশ্ৰুতিহে হব। তাৰ ফলত দেশৰ ৰাইজে আচলতে কোনো সকাহ পাব নোৱাৰে। আমাৰ বিগত কংগ্ৰেছ চৰকাৰৰ ৩১ বছৰতো দেখিছো তেওঁলোকে এই কথা বুজি পাইছে যে নিবনুৱা সমস্যা সমাধান কৰিবলৈ হলে অসমৰ গাদীত থকাতো সম্ভপৰ নহব। আৰু বুজি পাইছে যে তেওঁলোকে নানা ধৰণৰ সীমিত গন্দীৰ ভিতৰত চেষ্টা কৰিছিল। আৰু শাসনত অধিস্থিত হৈ প্ৰতি বছৰ যোৱাৰ লগে লগে বাস্তৱিকতে দেখিবলৈ পালে যে নিবনুৱা সমস্যা কমা নাই। বৰং ই দিনক দিনে বাঢ়িহে গৈছে। ইয়াৰ কাৰণ আছিল যে তেওঁলোকে নিবনুৱা সমস্যা ৰাইজৰ সমৰ্থন আদায় কৰিব কাৰণেহে বিচাৰিছিল সঁচা। কিন্তু যি কাৰণে পুজিবাদী অৰ্থনীতি ওপৰত দেশৰ নিবনুৱা সমস্যা সৃষ্টি হৈছে সেই অৰ্থনীতিৰ গুৰিত আঘাট কৰিব বিচৰা নাছিল। কাৰণ পুজীবাদী সকলৰ সমৰ্থনতেই সেই দল গাদীত বহি আছিল। গতিকে তেওঁলোকৰ পক্ষে এই সমস্যা সমাধান কৰাতো সম্ভৱপৰ হোৱা নাই।

* Speech not corrected

অধ্যক্ষ মহোদয়, এই কথা জনতা চৰকাৰকো উনুকিয়াই দিব বিছাৰিছো। যে নিৰ্ব্বাচনৰ সময়ত বহুত ভাল ভাল প্ৰতিশ্ৰুতিও আছিল তাৰ মাজত ১০ বছৰৰ ভিতৰত নিবনুৱা সমস্যা সমাধান কৰিব। এই প্ৰতিশ্ৰুতিও আছিল। তেওঁলোক যদি সঁচাই এই প্ৰতিশ্ৰুতিৰ প্ৰতি শ্ৰদ্ধাশীল আৰু প্ৰকৃততে যদি এই প্ৰতিশ্ৰুতি পালন কৰিব বিচাৰে তেতিয়াহলে তেওঁলোকে ইতিহাসৰ পৰা এই শিক্ষা গ্ৰহণ কৰিব লাগিব। যে ইয়াৰ আগতে কংগ্ৰেছ চৰকাৰে বা অইন ৰাজ্যৰ পুজিবাদী চৰকাৰৰ কোনো চৰকাৰেই নিবনুৱা সমস্যা সমাধান কৰিব পৰা নাই। পৃথিবীত সাম্ৰাজ্য বাদী বা পুজিবাদী দেশে নিবনুৱা ভাট্টা দিবলৈ সক্ষম হৈছে। আমাৰ দেশতো সামগ্ৰীক ভাবে হোৱা নাই। যদিও দুই এখন ৰাজ্যত এই প্ৰচেষ্টা হাতত হৈছে। যেতিয়ালৈকে পুজিবাদী অৰ্থনীতি জীয়াই থাকিব নিবনুৱা সমস্যাৰ কাৰণো জীয়াই থাকিব। গতিকে আমাৰ জনতা চৰকাৰক কব বিচাৰো এই অৰ্থনীতিৰ আমোল পৰিবৰ্ত্তন প্ৰয়োজন হৈ পৰিছে। এই পুজিবাদী অৰ্থনৈতিক আমোল পৰিবৰ্ত্তনেই হল এটা বৈপ্লবিক পৰিবৰ্ত্তন। অৰ্থনীতি আৰু ৰাজনীতি সমাজ গঠনৰ ক্ষেত্ৰত এই বৈপ্লবিক পৰিবৰ্ত্তন নকৰাকৈ আমি আমাৰ দেশৰ নিবনুৱা সকলক কেতিয়াও সকাহ দিব নোৱাৰিম। মই বিশ্বাস কৰো জনতা দল তেওঁলোকৰ নিৰ্বাচিত প্ৰতিশ্ৰুতিৰ প্ৰতি সচাঁকৈ যদি শ্ৰদ্ধাশীল হয় তেতিয়াহলে কমৰেড ৰমেন্দ্ৰ দেৱ ডাঙৰীয়াই অনা প্ৰস্তাৱটো নিবনুৱাক সকাহ দিয়া প্ৰস্তাৱটো গ্ৰহণ কৰা উচিত হব। কাৰণ নিবনুৱা সমস্যা সমাধান কৰিব বুলি তেওঁলোকে কৈ থৈছে। আৰু এই প্ৰস্তাৱ হৈছে এটা সামাজিক প্ৰস্তাৱ। যেতিয়ালৈকে নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰি সেই খিনি সময়লৈহে নিবনুৱা ভাট্টা দিবলৈ প্ৰস্তাৱত কোৱা হৈছে।

* Speech not corrected

অধ্যক্ষ মহোদয়, চৰকাৰে দেশৰ নিবনুৱা সমস্যা সমাধান অৰ্থনৈতিক সকাহ দিয়া এটা দায়িত্ব আছে। আমি প্ৰত্যেকজনেই মুখলৈ জন্ম গ্ৰহন কৰো তেনেকৈ এখন হাত কাম কৰিবলৈও আছে। *Right to work should be included amongst the fundamental rights.* আমাৰ দেশত বাস্তৱিকতে দুখীয়া নাগৰিক সকলে এই অধিকাৰ পোৱা নাই। ফলত আজি দেশত, সমাজত বিভিন্ন ক্ষেত্ৰত নানা ধৰণৰ অৱক্ষয় অৱনতিয়ে দেখা দিছে। সেই কাৰণে কৈছো বিভিন্ন স্তৰত এই অৱক্ষয় আৰু অৱনতি কাৰণ হৈছে এই নিবনুৱা সমস্যা। মই বহলাই কব নিবিচাৰো, নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰা কাৰণে আমাৰ ডেকা চামে স্‌কৰ্ম্ম এৰি কু-কৰ্ম্মত লিপ্ত হব লগীয়া হৈছে। যুৱক কালতেই যদি তেওঁলোকৰ কৰ্ম্ম শক্তিক সুপৰিকল্পিত ভাবে পৰিচালিত কৰিব পৰা নেযায় তেতিয়াহলে তেওঁলোক কু-প্ৰকৃতিৰে কলুষিত হৈ পৰিব আৰু সমাজখনো কলুষিত হৈ পৰিব।

গতিকে চৰকাৰৰ এইটো এটা নৈতিক দায়িত্ব যে দেশত থকা প্ৰতিজন কৰ্ম্মক্ষম মানুহকে যেন কাম দিয়ে। এতিয়া প্ৰশ্ন হৈছে যে এই নিবনুৱা সকলক তেওঁলোকক দিব লগা পইচা থিনি কৰ পৰা দিব? মই এটা কথা কব খোজো যে এই সমাজত যিথিনি মানুহ আছে এই মানুহখিনিয়ে যিহেতে খায় জীয়াই আছে, সমাজৰ পৰা খাই জীয়াই আছে। গতিকে ইয়াৰ কাৰণে লাগিলে আমি অন্য ৰাস্তা উলিয়াব লাগিব। আমি প্ৰয়োজনীয় ব্যয় সংকোচন কৰিব লাগিব। আগৰ চৰকাৰৰ যিটো পৰম্পৰ অত্যাৱশ্যকীয় ব্যয় কৰা, আড়ম্বৰপূৰ্ণ ব্যয় কৰা ক্ষেত্ৰত উল্লেখযোগ্য পৰিবৰ্ত্তন জনতা চৰকাৰৰ দিনত হোৱা নাই। প্ৰশাসনীয়

বিভিন্ন শিতানত ব্যয়ৰ লগত জড়িত হৈ আছে দুৰ্নীতি। যদি চৰকাৰ বদ্ধপৰিকৰ হয় তেন্তে প্ৰাশাসন ৰন্ধ্ৰে ৰন্ধ্ৰে, সমাজ গাথনিৰ ৰন্ধ্ৰে ৰন্ধ্ৰে যি দুৰ্নীতি সোমাই আছে তাক সমূলি বন্ধ কৰিব নোৱাৰিলেও অন্ততঃ কিছু পৰিমানে হলেও কমাব পাৰে। গতিকে এই ব্যয় সংকোচন কৰি আৰু দুৰ্নীতি দূৰ কৰি আমি কিছু পইচা এই দুৰ্ভগীয়া নিবনুৱা সকলৰ কাৰণে ৰাহি কৰিব পাৰো।

তাৰ পিচত শিল্পায়ন কৰাৰ প্ৰশ্ন আহিছে। আজি যদি আমাৰ দেশৰ নিবনুৱা সমস্যা সামগ্ৰিক ভাবে সমাধান কৰিব বিচৰা হয় তেতিয়া হলে একমাত্ৰ উপায় হল দেশখনক শিল্পায়ন কৰি তোলা। যেতিয়া দেশখনৰ এজন কৰ্ম্মক্ষম মানুহেও কাম পোৱা নাই তেনে ক্ষেত্ৰত দেশত অবিৰাম গতিত উদ্যোগীকৰণ, শিল্প উন্নয়নৰ জৰিয়তে নিবনুৱা সমস্যা সমাধান কৰাৰ একমাত্ৰ উপায়। নিবনুৱা ভাট্টা হল এক সাময়িক ব্যৱস্থা, ই কেতিয়াও স্থায়ী ব্যৱস্থা হব নোৱাৰে।. কিন্তু আমি যদি স্থায়ী ভাবে নিবনুৱা সমস্যা সমাধান কৰিব বিচাৰো তেতিয়াহলে শিল্পায়ন কৰিব লাগিব আৰু লগতে মনত ৰাখিব লাগিব এই শিল্পায়নৰ যিটো ব্যবস্থা সেই ব্যৱস্থা হব লাগিব সমাজতান্ত্ৰিক ব্যৱস্থা। সেই কাৰণে এইমৰ্ম কব বিচাৰিছো যে অসমত যিবিলাক চাহ, মৰাপাট, বনজ বা কৃষিজাত শিল্প আছে সেইবিলাক জাতীয়কৰণ কৰাৰ কথা উঠিছে। এইকথাটো গভীৰ ভাবে বিবেচনা কৰি চাব লাগিব। সমাজৰ উঠি অহা যুৱক সম্প্ৰদায়ৰ বৃহত্তৰ স্বাৰ্থত প্ৰয়োজন হলে এইকাম আমি হাতত লব লাগিব। আমি এটা কথা মনত ৰাখিব লাগিব যে উদ্যোগীকৰণ নকৰাকৈ এই সমস্যাৰ মূল সমাধান কৰিব নোৱাৰে। এইখিনিতে মই দুখেৰে সৈতে কব খোজ যে কেন্দ্ৰত জনতা চৰকাৰ প্ৰতিস্থা হোৱাৰ প্ৰায় ২ বছৰ হল

আৰু আমাৰ ৰাজ্যত এবছৰ হোৱাৰ উপক্ৰম হৈছে। কিন্তু শিল্প উদ্যোগ গঢ়ি তোলাৰ ক্ষেত্ৰত আগৰ কংগ্ৰেছী চৰকাৰৰ যি পূজিবাদী অৰ্থনীতি আছিল বৰ্ত্তমান চৰকাৰেও তাৰ কোনো পৰিবৰ্ত্তন কৰা দেখা পোৱা নাযায়। বৰং ইয়াত দেখি আহিছো পূৰণা শিল্প বন্ধ হৈ আছে। নতুন শিল্প খোলাৰ নামেই নাই। এই অৱস্থাটো যদি হয় তেতিয়াহলে আমি নিবনুৱা সমস্যা আমি কেতিয়াও সমাধান কৰিব নোৱাৰিম, যিদৰে কংগ্ৰেছী চৰকাৰে কৰিব পৰা নাছিল। ইয়াত ওলোতা কথাহে কৈ অহা থকা হৈছে। কুটিৰ শিল্পৰ কথা আজি বেছিকৈ কোৱা হৈছে। কুটিৰ শিল্প এটা পিচত থৈ অহা পৰ্য্যায়। মানুহৰ সংখ্যা বঢ়াৰ লগে লগে চাহিদাও বাঢ়িছে। বৰ্দ্ধিত চাহিদা পূৰণৰ বাবে মেচিনক কামত লগাই উত্পাদন বঢ়োৱাৰ দৰকাৰ হৈছে। তেনে স্থলত আমি যদি পিচলৈ উভতি যাওঁ তেতিয়াহলে তাৰ দ্বাৰা এই পূজিপতি বজাৰৰ ভিত্তিত আমি নিবনুৱা সমস্যাৰ সমাধান কৰিব নোৱাৰিম আৰু দেশৰ সামগ্ৰিক উৎপাদন বঢ়াব নোৱাৰিম। গতিকে মই সদৌ শেষত চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰি কব খোজো যে চৰকাৰে যদি সচাঁকৈয়ে নিবনুৱা সমস্যা সমাধান কৰিব বিচাৰিছে তেনেহলে তাক সমাজতান্ত্ৰিক অৰ্থনৈতিক গাঠনিত শিল্প গঢ়ি তুলিব লাগিব। অকল কুটিৰ শিল্পৰ কথা কৈ থাকিলে নহব। এটা কথা কোৱা হৈছে আৰু দেবালত পষ্টাৰ দেখিছো অসমৰ নিবনুৱা সমস্যাৰ মূল কাৰণ বহিৰাগত। দেশৰ অৰ্থনৈতিক সম্পৰ্কত জ্ঞান থকা যিকোনো মানুহে এই কথা বুজিব পাৰিব যে এইকথা কৈ অসমৰ নিবনুৱা সকলক বিভ্ৰান্ত কৰাৰ এটা প্ৰচেষ্টা চলোৱা হৈছে। ইয়াৰোপৰি প্ৰত্যেক বছৰে অসমত ৮০ হাজাৰ নতুন কৰ্ম্মপ্ৰাৰ্থীৰ সৃষ্টি হয়। চৰকাৰী হিচাব মতে দেখা যায় যে ২ হাজাৰ কৰ্ম্মপ্ৰাৰ্থী অসমৰ বাহিৰৰ পৰা আহিছে। যদি এই ২

হাজাৰ কৰ্ম্মপাৰ্থী অসমৰ বাহিৰলৈ খেদি পঠোৱা হয় তেনেহলে ৭৮ হাজাৰ কৰ্ম্মপাৰ্থী অসমত আছে ! অকল বহিৰাগতৰ কথা কৈ আমি নিবনুৱা সমস্যা দূৰ কৰিব নোৱাৰো । পূজিবাদী অৰ্থ-নীতিয়েই হৈছে নিবনুৱা সমস্যাৰ মূল কাৰণ। অসম খন হৈছে ভাৰতীয় পুজিবাদী বজাৰৰ এটা অঙ্গ বিশেষ। ইণ্টাৰনেচনেল কেপিটেলিষ্ট মাকেৰ্টৰ পৰা অসম বৰ্হিভূত নহয়। ইণ্টাৰনেচনেল কেপিটেলিষ্টে আধুনিক জাতীয় পুজিবাদীৰ সৃষ্টি কৰিছে। এই বজাৰৰ পৰা বাহিৰত থকা চিকিমেও জাতীয় পুজীবাদীৰ অন্তৰ্ভুক্ত হৈ আহিছে। অসমৰ বজাৰখনো ভাৰতীয় পুজীবাদীৰ বজাৰৰ পৰা বিচিন্ন নহয়। আমি যদি ভাবি থাকো যে অসমৰ অৰ্থনীতিৰ ক্ষেত্ৰত এটা স্বতন্ত্ৰতা ভোগ কৰিছে, ভাৰতীয় জাতীয় পুজিপতিৰ লগত অসমৰ অৰ্থনীতিৰ কোনো যোগাযোগ নাই তেতিয়াহলে 'উই চেল লিভ ইন দা ফুলিচ পেৰেডাইচ'। সদৌ শেষত শ্ৰীৰামেন্দ্ৰ দেৰ প্ৰস্তাবটো সমৰ্থন কৰি কব খুজিছো যে অকল পঞ্জিভুক্ত নিবনুবাই নহয় অসমৰ সকলোখিনি নিবনুৱা হিচাব কৰি তেওঁ-লোকক পাৰ্য্যমানে আথিক সাহায্য দি প্ৰস্তাবটো এই সদনে গ্ৰহণ কৰিব লাগে বুলি কৈ মই মোৰ বক্তব্য সামৰিলোঁ।

শ্ৰীনগেন শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, আজি এই পবিত্ৰ সদনৰ মাননীয় সদস্য শ্ৰীৰামেন্দ্ৰ দে ডাঙৰীয়াই এটা প্ৰস্তাব যোগে কব বিচা-ৰিছে যে অসম ৰাজ্যত যিবোৰ পঞ্জিভুক্ত নিবনুৱা আছে তেখেত সকলে কাম নোপোৱালৈকে এটা ভাট্টা দিব লাগে আৰু এই প্ৰস্তাবটোৰ সমৰ্থনত বিভিন্ন মাননীয় সদস্যই বিভিন্ন যুক্তি প্ৰদৰ্শন কৰিছে।

মই নীতিগত ভাবে এই প্ৰস্তাৱটো উলাই কৰিব

নোৱাৰো। কিন্তু প্ৰশ্ন আহিছে যে আমাৰ যি ২ লখ ৫০ হাজাৰ পঞ্জীয়ন ভুক্ত লোক আছে তেওঁলোকক নিবনুৱা ভাট্টা দিলে নিবনুৱা সমস্যা সমাধান হব নেকি ? দ্বিতীয়তে ২ লাখ ৫০ হাজাৰ নিবনুৱাৰ ভিতৰত ১ লাখ ১ হেজাৰ শিক্ষিত আৰু আনহাতে পঞ্জীভুক্তৰ বাহিৰেও ১৩ লাখ লোক নিবনুৱা আছে বুলি এমপ্লইমেণ্ট ৰিভিউ কমিটিৰ ৰিপৰ্টত উল্লেখ কৰা হৈছে। কিন্তু মাননীয় সদস্যই ইতিমধ্যেই কৈছে যে, এই ৰাজ্যত যিমান জনসংখ্যা আছে তাৰ ভিতৰত ১ কোটি ১২ লক্ষ্য মানুহ দাৰিদ্ৰ সীমা ৰেখাৰ তলত। তাৰ ভিতৰত যদি দুই লক্ষ্য মানুহক মাত্ৰ নিবনুৱা ভাট্টা দিয়া হয় তেনেহলে কথাটো এনেকুৱা হব যে এচৰু শাকত এটা জালুক দিয়াৰ দৰেহে হব। অধ্যক্ষ মহোদয়, আজি পঞ্জিয়নভুক্ত নিবনুৱা লোক সকলৰ কথাহে মাত্ৰ কোৱা হৈছে।কিন্তু মই জনাত অসমত বহুত লোক আছে হয়তো ১ কোটি ১০ লক্ষৰও ওপৰ হব যিবিলাক পঞ্জিয়নভুক্ত নহয়। যি সকলে মাটিৰ পট্টা কি নাজানে। পঞ্জিয়ন কি নাজানে। যিবিলাকে মাটিৰ খাজনা বিচাৰি গলে মাটি এৰি গুচি যায়। ঠিক তেনেধৰণৰ মানুহ অসমত বহুত আছে। এনেকুৱা কিছুমান লোক আছে যিবিলাকে মাটিৰ পট্টাখন ৰাখিব নোৱাৰে মাটি কেনেকৈ ৰাখিব নাজানে। দ্বিতীয়তে মই জনাত বহুতো নিবনুৱা আছে যিবিলাকে বিভিন্ন কৈফটৰ কাম জানে, সূতাৰ কাম জানে, বাহবেতৰ কাম জানে কিন্তু সেইবিলকে মানুহৰ চাকৰীৰ কোনো ব্যৱস্থা নাই। কিছুমান মানুহৰ তলত এই লোকসকলে কাম কৰিছে সেইবিলাক উচ্ছন্ন হৈ যাব ধৰিছে। বিভিন্ন মহাজনে তেওঁলাকক কৃতদাস কৰি ৰাখি থৈছে। আজি যিটো প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ সন্দৰ্ভত মই ভাবো এই পবিত্ৰ সদনত এই প্ৰস্তাৱৰ বিবেচনা কৰক কিন্তু তাৰ লগতে

নজনা, নশুনা, বঞ্চিত হৈ থকা লোক সকলৰ সমস্যা সমাধানৰ বাবেও বিবেচনা কৰক। বহুতো মাননীয় সদস্যই উৎথাপন কৰিছে যে আমি তেলৰ ৰয়েলটি যিধৰণে পাব লাগিছিল সেই-ধৰণে পোৱা নাই। ঠিক তেনেকৈ চাহৰ পৰা যি বৈদেশীক মুদ্ৰা পাব লাগিছিল সেইখিনি পোৱা নাই। কিন্তু এই বিলাকৰ লাভৰ অংশ একশ্ৰেনীয়ে ভোগ কৰিয়ে আছে। বণজ সম্পদৰ পৰা আমি যিমান লাভবান হব লাগিছিল সেই হিচাবে লাভবান হব পৰা নাই। কিন্তু তাৰ কাৰণে কোনোবা নিশ্চয় লাভবান হৈছে। আমি আমাৰ প্ৰাপ্যখিনিৰ পৰা বঞ্চিত হোৱাটো কোনেও কামনা নকৰে কিন্তু আজি এই প্ৰস্তাৱৰ মাধ্যমেৰে আমি অতি ক্ষুদ্ৰ কথালৈ নামি যোৱা হব যদিও এইটো সাময়িকভাবে তেওঁ-লোকৰ কিছু উপকাৰ হব। যদিও এই কথাখিনি আমাৰ ইলেক-চন মেনিফেষ্টোত আছে যে আমি সমাজৰ দুৰ্ব্বল শ্ৰেণীৰ কাৰণে অৰ্থনৈতিক পৰিকল্পনাৰ জৰিয়তে কি ধৰনে আগবঢ়াই নিব পাৰি তাৰ ব্যৱস্থা লব লাগে। অন্ত্যোদয় কাৰ্য্যসূচীৰ জৰিয়তে দৰিদ্ৰ সকলৰ জীৱনৰ মানদণ্ড উন্নত কৰাৰ ব্যৱস্থা কৰা হওক। তথাপি আজিৰ আৰ্থিক দিশলৈ লক্ষ্য ৰাখি বৰ্ত্তমান অৱস্থাত এই প্ৰস্তাৱ কাৰ্য্যকৰী কৰিবলৈ গলে উন্নয়নমুলক কামত এটা বিৰাত হেচা হব পাৰে। সেই কাৰণে আমি মাননীয় সদস্য গৰাকীক অনুৰোধ কৰিছোঁ যাতে সম্প্ৰতি এই প্ৰস্তাৱটো এতিয়াই নানি স্থগিত কৰি ৰাখে। ইয়াকে কৈ মোৰ বক্তৃতাৰ সামৰনি মাৰিলোঁ।

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীৰনেন্দ্ৰ নাথ দে ডাঙৰীয়াই এটা বিশেষ গুৰুত্বপুৰ্ণ প্ৰস্তাৱ আজি অবতাৰণা কৰিছে। আৰু এই ক্ষেত্ৰত আমাৰ ভালেমান সদস্যই

* Speech not corrected

বহুতো মুল্যবান কথা আগবঢ়াইছে। বিশেষকৈ আমাৰ বয়োবৃদ্ধ, জ্ঞানবৃদ্ধ শ্ৰীবিৰেশ মিশ্ৰ ডাঙৰীয়াই আমাৰ মনোভাব তেখেতে তেখেতৰ সুন্দৰ ভাষাত প্ৰকাশিত কৰিছে। আমি সুখি হৈছো এনেধৰণৰ অবতাৰনাৰ বাবে আৰু তেখেতৰ যি পথ, আদৰ্শহিচাবে যদি আমাক সহায় কৰে তেনেহলে আমি আশা কৰো যি ভাবে, সেই ভাবে নহলেও আংশিক ভাবে হলেও জনগনক সফলতাৰ পথত আনিব পাৰিম। আজি প্ৰস্তাৱত উল্লেখ কৰা হৈছে যে নিবনুৱা সকলক নিবনুৱা ভাট্টা কমেও ৫০ টকা কৈ দিব লাগে। নিবনুৱা ভাট্টা দিব পৰাতো খুব ভাল কথা। কিন্তু তাৰ লগতে ৰাজ্যখনৰ অন্যান্য আঁচনি আৰু পৰিস্থিতিৰ কথা দাঙি ধৰিব বিচাৰিছো। সেইটো হৈছে যে আজি অসম দেশত নিবনুৱা সমস্যা প্ৰকত হৈ উঠিছে তাক আজি মই ভাষাৰে বৰ্ণনা কৰিব নোৱাৰিম। ইয়াৰ প্ৰধান কাৰণ আমাৰ শিক্ষা নীতি। বিশেষজ্ঞ সকলৰ শিক্ষা নীতি। উদ্যোগ আঁচনিৰ লগত নিবনুৱা সমস্যাৰ কোনো সামাঞ্জস্য নাই। আমি ল'ৰা ছোৱালী পঢ়িবলৈ পঠাইছো। বহুতো স্কুল খুলি দিছো, কলেজ, বিশ্ববিদ্যালয় পাতি দিছো কিন্তু কি বিষয়ত কি পঢ়ি কি বিষয়ত নিয়োগ কৰা হব তাৰ কোনো ব্যৱস্থা নহল। ফলত এম, এ, এম, এচ, চি, আনকি ডাক্তৰ, ইনজিনিয়াৰ পৰ্য্যন্ত নিবনুৱা হৈছে। ইয়াৰ আচল কাৰণটো হৈছে শিক্ষা আঁচনিৰ লগত, নিয়োগৰ আঁচনি, অৰ্থাৎ কোনটো বিষয় পঢ়িলে কি কামত নিয়োগ কৰিব। কোনো ধৰণৰ সামানজ্স্য নাৰাখিলে।

উপাধ্যক্ষ মহোদয়, মই বিৰোধী দলত থকা অবস্থাত

আগৰ চৰকাৰক আঙুলিয়াই দিয়া হৈছিল যে আমি শিক্ষা দিব লগীয়া হলে, আমি বিশেষ ভাবে বিবেচনা কৰিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, আমি আগতেও প্ৰস্তাৱ কৰিছিলো আৰু আগৰ মন্ত্ৰীসভাইও এইটো মানি লৈছিল যে, ডিব্ৰুগড় বিশ্ববিদ্যালয় যিটো হব তাত টেকনিকেল বিশ্ববিদ্যালয় কৰি তোলা হব আৰু আমাৰ অভিজ্ঞতা থকা ল'ৰা ছোৱালীক তাত শিক্ষা দান দি বাহিৰ কৰি অনা হব। কিন্তু দুৰ্ভাগ্যবশতঃ আন বিশ্ববিদ্যালয়ৰ দৰে সাধাৰণ বিশ্ববিদ্যালয়ত ৰূপান্তৰ হল। ফলত যি আঁচনি লোৱা হৈছিল, সেই আঁচনি কাৰ্যকৰী কৰা নহল। আমাৰ আজি চিভিল ইঞ্জিনিয়াৰ ওলাইছে আৰু যোৰহাট আৰু গুৱাহাটীত ইঞ্জিনিয়াৰিং কলেজ খোলা হৈছে। তাত ল'ৰা বিলাকে বিভিন্ন বিষয়ত শিক্ষা লাভ কৰি ওলাই আহিছে কিন্তু আজি তেওঁলোক নিবনুৱা হৈ থাকিব লগাত পৰিছে। নিবনুৱাৰ সংখ্যা কমাবৰ বাবে চেষ্টা কৰা নহল। আজি আমাৰ দেশ সকলো ফালৰ পৰা পৰিপূৰ্ণ হৈ আছে। সকলো ধৰণৰ কেচাঁ মাল যেনে চাহ, তেল, কয়লা আদিৰে আমাৰ দেশ ভৰপুৰ। কিন্তু আজি আমাৰ জনসাধাৰণে এইবিলাকৰ সুবিধা পোৱা নাই। আজি যি সকল ব্যক্তিৰ ল'ৰা ছোৱালী শিক্ষা দীক্ষা লৈ ওলাই আহিছে তেওঁলোকে উপাৰ্জন কৰিবলৈ সুযোগ সুবিধা পোৱা নাই। আজি বহুতো মানুহে বিৰলা গ্ৰুপৰ নিচিনা মানুহে সমস্ত অসম দেশখন আধিকাৰ কৰি পেলাইছে।

অধ্যক্ষ মহোদয়, আজি অসমত যোৱা ২১ বছৰে, ৩০ বছৰে, ২৯ বছৰে বিৰলাই কোনো কন্দিচন নোহোৱাকৈ অসমৰ বনজ সম্পদ বিলাক লিজত লৈছে। উদ্যোগীকৰণৰ ক্ষেত্ৰত বিৰলা গ্ৰুপৰ

পৰা আমাৰ চৰকাৰে কোনো ধৰণৰ মোনাফা নাপায়। আজি তেওঁলোকে নিজৰ মানুহ আনি নিয়োগ কৰাৰ ব্যৱস্থা কৰিছে। স্থানীয় লোক আজি তাৰ পৰা বঞ্চিত হৈ আছে। এইধৰণে আজি আমাৰ ফৰেষ্ট ৰিজাৰ্ভ আৰু কাঠ আদি নষ্ট কৰিছে। মাননীয় সদস্য নগেন বৰুৱা ডাঙৰীয়াই এটা বিশেষ কথা উল্লেখ কৰিছে যে, আৰু আমাৰ মাননীয় সদস্য বীৰেশ মিশ্ৰ ডাঙৰীয়াইও একেটা কথাকে কৈছে যে, অসমৰ বনজ সম্পদ ধ্বংস কৰাৰ ক্ষেত্ৰত অসমৰ সীমাত যি ধৰণে দুৰ্ঘটনা হৈছে তাত পাক চক্ৰ এটা জৰিত হৈ আছে। আজি অসমৰ বনাঞ্চল সম্পূৰ্ণৰূপে ধ্বংস কৰা হৈছে। আৰু আজি অসমৰ বুকুত এক শ্ৰেণীৰ মানুহে তাণ্ডৱ নৃত্য কৰিছে। গতিকে আজি নিবনুৱা সকলক ৫০ টকা ভাট্টা দি থলেই নহব। আজি এক শ্ৰেণীৰ লোকে আমাৰ জাতীয় সত্বা, মানবীয় সত্বা লুণ্ঠন কৰিছে। সেই সকলো বিলাক আতৰ কৰি আমি অসমক জীয়াই ৰাখিব লাগিব। ৰাজনৈতিক দিশৰ পৰা কেইদিনমানৰ কাৰণে আমি সস্তিয়া ধৰনৰ প্ৰিয়পাত্ৰ হবলৈ বিচৰা নাই। আজি আমাৰ চৰকাৰক যিমানেই সমালোচনা নকৰক আমি যিমানেই সামালোচনাৰ সন্মুখীন নহলেও লাগিলে জনতা চৰকাৰে কাগজে পত্ৰই তোষামোদ কৰাতো নিবিচাৰে। কাৰ্য্যৰ যোগেদিহে আমি আমাৰ দেশৰ ৰাইজৰ মংগলৰ কাৰণে কাম কৰি যাবলৈ দৃঢ়প্ৰতিজ্ঞা হৈছো আৰু সেইধৰণেই আমি নিশ্চয় ব্যৱস্থা লম। আমাৰ মাননীয় সদস্য বৰো ডাঙৰীয়াই এটা ভাল কথা কৈছে যে, আজি ২ লাখ ৫ হাজাৰ নিবনুৱা আছে আৰু সেই সকলক ৰেজিষ্টাৰ্দ নিবনুৱা, তেওঁলোকক ভাট্টা দি ৰাখিলেও আমাৰ সমস্যা সমাধান নহব। তেখেতৰ লগত মইও একমত। লগতে এইটো কথা মনত ৰাখিব লাগিব যে,

নিবনুৱা অকল শিক্ষিত নিবনুৱাই আছেনে অশিক্ষিত নিবনুৱাও আছে। আমাৰ মাননীয় সদস্য নগেন শৰ্ম্মা ডাঙৰীয়াইও কৈছে যে, যিসকলে মাত মাতে আৰু যি সকলে ইনক্লাব জিন্দাবাদ কৰি আছে আৰু যি সকলে ধ্বনি দিয়ে আৰু পদ যাত্ৰা কৰি আছে আমি সেই সকলৰ কথাই কওঁ। কিন্তু আজি যি সকলে মাত মাতিব নোৱাৰে আজি সেইসকল বঞ্চিত হৈ আছে, সেইসকলৰ কথা কোনেও চিন্তা কৰা নাই।

Shri Noorul Huda :— Sir, may I interrupt the Hon'ble Minister here ? While he was in the opposition, he used to plead for this section of people. Now, immediately after going to the Treasury Bench, he has completely changed his outlook and has become very much sympathetic towards the rural people. He forgets that he used to plead for this section of people while he was in the opposition:

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মই অসমীয়াতেই কৈছো মাননীয় সদস্যই বুজি পোৱা নাই নেকি ? যিসকলে মাত মাতিব পাৰে, যিসকলে পাই আছে সেই সকলকো দিব লাগে আৰু আধা পোৱা সকলকো দিব লাগে, যি সকলে একো পোৱা নাই সেই সকলকো দিব লাগে। সেইকাৰণে মই কব বিচাৰিছো যে, আজি আমাৰ যি সকলক নিবনুৱা ভাট্টা দিয়া হব তাত ২৫ লাখ ৫০ হাজাৰ টকা খৰচ হব আৰু তাৰ ভিতৰত মাত মাতিবপৰা মানুহ আছেনে নাই সেইটোও আমি চাব লাগিব। আমি যি দিনালৈকে সেই মাত মাতিব নোৱাৰা শ্ৰেনীৰ মানুহৰ প্ৰতি ন্যায় কৰিব নোৱাৰো তেতিয়া-

নৈকে আমি জনসাধাৰণৰ উন্নতি কৰিব নোৱাৰো।

( ভইচঃ কি সুন্দৰ যুক্তি )

আমি সকলোৱেই আমাৰ মনোভাৱ প্ৰকাৰ কৰিছো। কাৰণ আমি সমালোচনাৰ সন্মুখীন হব লাগিব আৰু আমি সকলো ক্ষেত্ৰতে সাহসেৰে সন্মুখীন হম। আমি আমাৰ ৰাইজৰ প্ৰতি কৰিবলগীয়া কামত হাজাৰ বাধা বিঘিনি থাকিলেও সেই সকলোখিনি অতিক্ৰম কৰি আমি কাম কৰি যাম বুলি আমি প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলে আমি গাদী এৰিম। গতিকে আজি যিটো মৌলিক সমস্যা সেইটো আমি সমাধান কৰিব লাগিব। মাননীয় সদস্য মিশ্ৰ ডাঙৰীয়া ও কৈছে যে, চাহ উদ্যোগৰ ক্ষেত্ৰত, চিমেণ্টৰ ক্ষেত্ৰত, খনিজ সম্পদৰ ক্ষেত্ৰত যিখিনি কৰিবলগীয়া কাম আছে সেইখিনি আমি কৰিবই লাগিব। আৰু আমাৰ নিবনুৱা সমস্যা সমধান কৰিবলৈও চেষ্টা কৰিব লাগিব।

মই ইতিমধ্যে কৈছোয়েই যে আমাৰ যিটো মৌলিক সমস্যা সেইটো সমাধান কৰিব নোৱাৰিলে, দেশৰ অৰ্থনৈতিক মানদণ্ডৰ উন্নতি কৰিব নোৱাৰিলে মিশ্ৰ ডাঙৰীয়াই যিখিনি কথা কৈছে চাহ উদ্যোগৰ ক্ষেত্ৰত, চিমেণ্টৰ ক্ষেত্ৰত, বণাঞ্চলৰ ক্ষেত্ৰত আৰু খনিজ উদ্যোগ আদিৰ ক্ষেত্ৰত সেইখিনি উন্নতি কৰিবই লাগিব আৰু সেইখিনি কৰাৰ পাছতহে আমি এই নিবনুৱা সমস্যা সমাধান কৰিব পাৰিম আৰু কৰিব নোৱাৰিলে তেতিয়াহে এই কথা চিন্তা কৰিব। কিন্তু বৰ্ত্তমান অৱস্থাত অৰ্থনৈতিক মানদণ্ড, শিক্ষানীতি, উদ্যোগ নীতি আদি পৰিকল্পনা বিলাক শুদ্ধ কৰি লব নোৱাৰা পৰ্য্যন্ত আমাৰ দেশৰ অৰ্থনীতি বা নিবনুৱা সমস্যাৰ সমাধান নহয়। মাননীয় সদস্য সকল প্ৰধান মন্ত্ৰী মোৰাৰজী দেশাইৰ ১০ বছৰত নিবনুৱা

সমস্যা সমাধান কৰাৰ কথা কৈছে আৰু সেইটোক সমালোচনা কৰিছে। কিন্তু অসমৰ ক্ষেত্ৰত বৰ্ত্তমান যি গতিত চলিছে অন্যান্য দেশৰ পৰা নিৰনুৱা সমস্যা দূৰ হলেও অসমৰ পৰা নহব। কিয়নো অসমৰ যুবক সকলৰ মাজত শিক্ষাৰ কাৰনে হওক বা অন্য কাৰনেই হওঁক শ্ৰমৰ প্ৰতি সন্মান নোহোৱা হৈছে। আজি আপোনালোকে জানে যে আমাৰ লৰা ছোৱালীয়ে অলপ শিক্ষা আহৰন কৰিলেই সকলোৱে ক্লাৰিকেল জব বিছাৰে কিন্তু আমাৰ পথাৰত যি এডৰা মাটি আছে তাত উৎপাদন বৃদ্ধি কৰাৰ চেষ্টা নকৰে। সেই কাৰণে দেখা গৈছে বাহিৰৰ পৰা অহা যিবিলাক মানুহ আছে এই দিশপুৰ অঞ্চলতে অধ্যক্ষ মহোদয় আপুনি শুনিলে আচৰিত হব যে যিবিলাক বাসভৱন-ডাকঘৰ আছে সেইবিলাকৰ পৰা মেনুৱেল চাকৰি কৰি প্ৰায় আঢ়ৈ লাখ টকা বাহিৰলৈ উপাৰ্জন কৰি নিয়ে। এই মেনুৱেল কাম বিলাক আমাৰ মানুহে নকৰে কাৰন তেওঁলোকৰ শ্ৰমৰ প্ৰতি মৰ্য্যদা নাই। এইবিলাকলৈ যদি আমাৰ মানুহ আগবাঢ়ি নাহে তেনেহলে অকল চাকৰি বাকৰি, ব্যৱসায় বানিজ্যৰে আমাৰ লৰা ছোৱালীক বন্দোবস্ত কৰি দিয়া টান হব। ইয়াৰ লগে লগে আমি যি নীতি গ্ৰহণ কৰিছো যে কুটীৰশিল্পৰ যোগেদি আমাৰ ঘৰতে উৎপাদন কৰি ব্যৱসায় বানিজ্য কৰিব নোৱাৰো তেনেহলে প্ৰকৃতপক্ষে বাঢ়ি অহা নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰিম। গতিকে এই সকলো কথা বিবেচনা কৰি আমাৰ মাননীয় সদস্য সকলে যি মতামত প্ৰকাশ কৰিছে সেই মতামত চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা কৰিবলৈ আমাৰ সময় দিব লাগিব। আৰু আমাৰ যিটো মৌলিক সমস্যা বা কথা তাক পুঙ্খনানুপুঙ্খ ৰূপে বিবেচনা কৰি লগতে অৰ্থনৈতিক দিশত কি ধৰণৰ কি ব্যৱস্থা গ্ৰহণ কৰিব পাৰি সেইটো ঠিৰাং কৰাৰ পাছ-

তহে এই ব্যৱস্থলৈ আহিব পাৰিম। সেই কাৰণে মই মাননীয় সদস্য গৰাকীক অনুৰোধ কৰিছো যাতে সাময়িক ভাবে এই প্রস্তাৱটো উঠাই লয়।

Mr. Speakr :– Mr. Dey, are you withdrawing the Resolution ?

শ্রীৰামেন্দ্রদে :— অধ্যক্ষ মহোদয়, এই প্রস্তাব উইড্র করার কোন প্রশ্নই উঠে না যেহেতু মার্কস্বাদী কমুনিষ্ট পার্টিৰ তৰফ থেকে এই প্রস্তাব কৰা হয়েছে। আমরা টাটা-বিরলা একচোটিয়া পুজিপতিদের তাবেদারী করতে এখানে আসিনি। আমরা নীতিগত ভাবে জানি এই প্রস্তাব অত্যন্ত সঠিক এবং সময়োপযোগী প্রস্তাব। জনতা পার্টীর নির্বচনী ইস্তাহারেও এই বেকার সমস্যা সমাধানের প্রতিশ্রুতি ছিল। তারা জনসাধারনের কাছে তাদের কথার হেরফের করেছেন বেইমানী করছেন। এই সরকার তাদের কথার হেরফের করতে পারেন কিন্তু আমাদের পক্ষে জনগনের সংগে বেইমানীকৰা সম্ভবপরনই। অতএব উইড্র করার প্রশ্নই উঠেনা।

শ্রীনূরুল হুদা :— স্যার, মন্ত্রী মহোদয় বলেছেন যে এই দিশপুর (সপ্তাহে না মাসে ঠিক জানি না) পোষ্ট অফিসথেকে প্রায় আড়াই লক্ষ টাকা বাইরে মনি-অর্ডারে পাঠানো হয়। আমি মন্ত্রী মহোদয়ের কাছ থেকে জানতে চাই যে আসামের ৭১৪ টা চা বাগানের মালিকদের পক্ষ থেকে বত্সরে আমাদের এই রাজ্য থেকে কত কোটী টাকা বাইরে চলে যাচ্ছে। তার একটা ফিগার মন্ত্রী মহোদয় জানাতে পারেন কি ?

শ্রীতুলাল চন্দ্র বৰুৱা মন্ত্রী :— মাননীয় সদস্য সকলেও জনা উচিত যে

অকল তেখেত সকলেই পঢ়া শুনা নকৰে আমিও পঢ়াশুনা কৰো মই এই কথা বেলেগ সূত্ৰত কৈছিলো-মই কৈছিলো যে আমাৰ যিবিলাক লৰা ছোৱালী আছে তেওঁলোকৰ মেনুৱেল কামৰ প্ৰতি আগ্ৰহ নাই, সেই কাম কৰিয়ে আনে আমাৰ দেশৰ পৰা ইমান টকা লৈ যায়। তেখেতৰ জ্ঞাতার্থে জনাব বিছাৰিছো চাহ বাগিছাৰ পৰা বছৰি ১২১ কোটি টকাআমি কলিকতাত হেৰুৱাওঁ।

Mr. Speaker :— The Houoe resolves that Govt. should bring a legislation during the current session incorporating provision for giving relief to those whose names has been registered in the Emplyment Exchange till they are employed.

( The Hose divided )

Mr. Speaker :— The result of the divition is,—

Ayes —16

Noes —50

Abstained —13.

The resolution is lost.

Now next item. Before that the Chief Minister will make a statement.

* শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) :— যোৰহাটৰ উপায়ুক্তৰ পৰা প্ৰাপ্ত বাতৰিমতে যোৱা একৈশ ফেব্ৰুৱাৰী বুধবাৰে দিনৰ ১·৩০ মিঃত মৰিয়নি চহৰত হোৱা এক অগ্নিকাণ্ডৰ ফলত থকা ঘৰ আৰু দোকান ঘৰকে ধৰি ৬৫টা ঘৰ সম্পূৰ্ণ ভস্মীভূত হয়। বিজুলী

* Speech not corrected

তাঁৰত Short Circuit হৈ প্ৰথমতে এটা খেৰীঘৰত জুই লাগে আৰু তাৰ পৰা জুই বিয়পি বাকীকেইটা ঘৰতো লাগেগৈ। ইয়াৰে ভিতৰত ১০টা খেৰীঘৰ আৰু বাকী ৩টা পকীঘৰ আছিল। মৰিয়নি ছোৱালী এম, ই হাইস্কুল ঘৰটোও আগ্নিকাণ্ডৰ ফলত ভস্মীভূত হয় বুলি জনা গৈছে। এই অগ্নিকাণ্ড আকস্মিক ধৰণৰ। ও কোনো উদ্দেশ্য প্ৰণোদিত বুলি কোনো ধৰণৰ প্ৰমাণ পোৱা নাই। মুঠ ক্ষয় ক্ষতিৰ পৰিমাণ প্ৰায় দুই লাখ টকা হব বুলি অনুমান কৰা হৈছে। অসম অগ্নি নিৰ্ব্বাপক বাহিনীৰ ৩খন গাড়ী গৈ ঘটনাস্থলীত উপস্থিত হয় আৰু লগতে মৰিয়নিৰ ৰেলৱে কৰ্ত্তৃপক্ষৰ ফালৰ পৰাও এখন গাড়ী গৈ জুই নুমুৱাত সহায় কৰে। তাৰোপৰি সামৰিক বাহিনীৰ অগ্নি নিৰ্ব্বাপক সজুলীও ( fire fighting equipment ) জুই নুমুৱাত যথেষ্ট সহায় কৰে। প্ৰায় দুঘণ্টামানৰ ভিতৰত জুই সম্পূৰ্ণৰূপে নিয়ন্ত্ৰাধীন হয়। এই অগ্নি কাণ্ডত শ্ৰীমঙ্গিলাল কুমাৰ নামৰ দোকান এখনৰ গোমাস্তা এজনৰ মৃত্যু হয়। জুই জ্বলি থকা অৱস্থাত শ্ৰীকুমাৰে মূল্যবান সামগ্ৰী, টকা আদি আনিবৰ বাবে দোকান ঘৰৰ ভিতৰলৈ সোমায় যায়, কিন্তু তেওঁক জুয়ে বৰ বেয়াকৈ পোৰে। এই সংক্ৰান্তত এটা অপমৃত্যুৰ গোচৰ ( U/D Case ) পঞ্জীভূক্ত কৰা হয়। ক্ষতিগ্ৰস্ত লোকসলৰ এজনৰ বাহিৰে প্ৰায় সকলোৱেই ব্যৱসায়ী আৰু চাকৰী কৰা লোক। একোৱে সংস্থান নোহোৱা মানুহজনৰ নাম শ্ৰীভূবন বৰগোহাই।

উপায়ুক্তৰ তৰফৰ পৰা ততকালীন সাহায্য হিচাপে শ্ৰীবৰগোঁহাইলৈ ৫০০ টকা আৰু ক্ষতিগ্ৰস্ত সকলৰ প্ৰত্যেককে ১০০ টকাকৈ এককালীন সাহায্য আগবঢ়াছে। মূখ্য মন্ত্ৰীৰ সাহায্য

* Speech not corrcted

পুঁজিৰ পৰা ৫০০০'০০ টকা দিয়া হৈছে।

যিহেতু ক্ষতিগ্ৰস্ত পৰিয়ালবোৰ আত্মীয় কুটুম্বৰ ঘৰত আশ্ৰয় লৈছে, তেওঁলোকৰ বাবে কোনো আশ্ৰয় শিবিৰ খোলা বা অন্যান্য সাহায্য দিয়াৰ আৱশ্যক হোৱা নাই বুলি উপায়ুক্তই জনাইছে। উপায়ুক্তই এই পৰিয়াল সমূহক পূৰ্ণ সংস্থাপণ ঋণ দিবৰ বাবে চৰকাৰলৈ টকা বিচাৰি প্ৰস্তাৱ আগবঢ়াইছে। প্ৰস্তাৱ চৰকাৰৰ হাতত পৰিলেই খৰতকীয়া বিহিত ব্যৱস্থা লোৱা হব।

Shri Ramendra De :— I beg to move the following Resolution :—"This Assembly resolves that the Primary Education in the State be made compulsory for all puryoses."

Shri Dulal Chandra Barua ( Minister ) :— The Primary Education is already made compulsory.

Shri Bipin Hazarika :— No, it is not compulsory. There is only a Directive Principle in our Constitution.

Shri Noorul Huda :— The other day the Education Minister or perhaps some Minister stated that there are school-less villages in our State. How can you then make the Primary education copulsory ?

Shri Dulal Chandra Barua ( Minister ) :— Sir, I said only that the Primary education is already made compulsory.

Shri Biresh Mishra :— This is a Directive Principle in our Constitution. Perhaps, he is confusing.

শ্রীরামেন্দ্র দে :— মিষ্টার ডেপুটী স্পীকার স্যার, বেকার, অশিক্ষা, দারিদ্রতা ভূমিহীনতা ও দ্রব্যমূল্য বৃদ্ধি এ কয়েকটি জিনিষ হচ্ছে ধনতান্ত্রিক তাবেদার সরকারের মানপত্র বা সার্টিফিকেট। বিশেষ করে আমাদের এই ভারতবর্ষে বিশেষ করে আসামে আমরা দেখেছি যে বেকার, অশিক্ষা এবং দারিদ্রতার প্রকোপ খুব বেশী। একটু আগে আমরা দেখলাম পূর্বের কংগ্রেসী সরকার এবং বর্তমানের জনতা সরকারের মধ্যে মুলতঃ কোন তফাৎ নেই। একটু আগেই দেখা গেল (ইয়েস্ এবং নোস্'এর ডিভিশনের সময়) তারা একই সঙ্গে আছেন এবং জনতা সরকার পূর্বের কংগ্রেসী সরকারকেই সমর্থন করে যাচ্ছেন। যাই হউক, কংগ্রেসীদের চেয়ে অনেক ভাল কাজ জনসাধারন এই জনতা সরকারের কাছে আশা করেছিল। কিন্তু আমাদের কোন মোহ ছিল না আজও নেই। এরা দুই দলই ধনীশ্রেণীর প্রতিনিধি, তাবেদারও পৃষ্ঠপোষক......। (ইন্টারাপশন)

Shri Golak Rajbanshi :— I think there is no Act on this. If there is an Act, then the Resolution cannot come.

Mr. Speaker :— I thought that it was in order. Since st is in order, the Hon'ble Member moved the Resolution. Now, how it is in order creates the problem. The Law Minister is here. So, I will take his opinion.

Shri Dulal Chandra Barua (Minister) :— It is already there. I am not objecting to moving this Resolution.

Shri Keshab Chandra Gogoi (Minister, Law) :— When I have been asked to give my opinion, I would request that this may be kept pending so that I may study the matter.

Shri Atul Chandra Goswami :— The Resolution once admitted cannot be made pending. There is no Act passed by this Assembly for making the Primary education compulsory. In the Constitution, there is a Directive Principle that it should be made compulsory. But the State Goverment has not come up with the Act. Therefor, this Resolution is in order.

Shri Noorul Huda :— May I point out that in this State of Assam, there are as many as : crores and 10 lakhs of illiterate persons. Only 3 p.c. of the people are literate and the rest 70 p.c. are uneducated or illiterate. Out of 1 crore and 10 lakhs of people, hardly 48 lakhs are educated and the rest 1 lakh and 10/12 thousands are illiterate. How can the Government say that the Primary education has been made compulsory ? Onr whole approach is

that we have moved the Resolution and we went to make the Primary education compulsory so that more and more people can get the education.

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী :— অধ্যক্ষ মহোদয়, ১৯৬২ চনতেই আচাম এলিমেন্টৰী এডুকেশ্যন এক্ত খন হৈছে। তাত শিক্ষা বাধ্যতামূলক কৰিব লাগে বুলি উল্লেখ কৰা আছে। কিন্তু বাস্তৱ ক্ষেত্ৰত বাধ্যতামূলক কৰা হোৱা নাই। এই ভিত্তিত এই প্ৰস্তাৱটো আলোচনা কৰি আমি চৰকাৰক এই সম্পৰ্কে পৰামৰ্শ দিব পাৰো। গতিকে এই প্ৰস্তাৱটো আলোচনা কৰাৰ কাৰণে নিশ্চয় কোনো বাধা থাকিব নোৱাৰে।

শ্ৰীভুবনেশ্বৰ বৰ্ম্মন :— মই কব বিচাৰিছো যে এই প্ৰস্তাৱটো সম্বন্ধে যি বাদানুবাদ আইন-সঙ্গত ক'থালৈ চালছে, এই সংক্ৰান্তত আইন মন্ত্ৰীয়ে এটা পৰামৰ্শ বিচাৰিছে। তেখেতে এই কথাটো চালি জাৰি চাই অহা প্ৰাইভেট মেম্বাৰ্চৰ বিজনেচৰ দিনা এটা সিদ্ধান্ত দিব। মাননীয় শ্ৰীঅতুল চন্দ্ৰ গোস্বামীয়ে উৎথাপন কৰিছে যে যিহেতুকে এই প্ৰস্তাৱটো বিধান সভাৰ আজিৰ কাৰ্য্য বিৱৰণীত ঠাই পাইছে সেই কাৰণে এই প্ৰস্তাৱটো স্থগিত ৰখা বা নাকচ কৰাৰ কথা থাকিব নোৱাৰে। যেতিয়া বাদানুবাদৰ সৃষ্টি হৈ কোনো সিদ্ধান্তত উপনিত হব নোৱাৰে তেতিয়া স্থগিত ৰখাটো বেয়া হব নোৱাৰে। যেতিয়া যিকোনো এটা বিষয়ত পৰস্পৰ বিৰোধী মত আহে তেতিয়া স্থগিত ৰখাৰ উদাহৰণো আছে। গতিকে মই অনুৰোধ কৰিব বিচাৰিছো যে এই প্ৰস্তাৱটো আজি স্থগিত ৰাখি অহা প্ৰাইভেট মেম্বাৰ্চ বিজনেচৰ দিনা আলোচনা কৰিলে ভাল হয়।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) :— আমাৰ ফালৰ পৰা আমি যিটো জানো প্ৰত্যেক গাওঁতে প্ৰাইমাৰী স্কুল হব লাগে। এইটো যোৱা বিধান

সভাতো কোৱা হৈছে । কিন্তু আজি যিখিনি সা-সুবিধা দিব লাগে বুলি কৈছে এই কথাটো আইনে কি কয় সেইটো চালি জাৰি নোচোৱাকৈ কৰলৈ অসুবিধা হৈছে । সেইকাৰণে অহা শুক্রবাৰ-লৈ এইটো স্থগিত ৰাখিলে ভাল হয় । গতিকে মই অনুৰোধ কৰিব বিচাৰিছো যে এইটো এতিয়াই জোৰ নিদি অহা শুক্রবাৰলৈ ৰাখক ।

**Shri Atul Goswami** :— I want to quote rule 1:9 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly that the Speaker shall dicede whether a re olution or apart thereof is or is not admissible under these rules an dmay disallow any resolution or a part thereof when in his opinion it is an abuse of the right of moving a resolution or calculated to obstruct or prejudiciallly affect the procedure of the House or is in contravention of these rules. He also quoted Rule 12: (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly that a member in whose name a resolution appears on the list of business shall, when called on, either—

(a) decline to move the resolution, in which case he shall confine himself to a mere statement to that effect, or

(b) move the resolution, in which ease he shall commence his speech by a for-

mal motion in the terms appearing on the list of business.

Shri Ramendra De :— Already been move.

Shri Dulal Chandra Barua (Minister) :— As per rule, as the controversy arises, it is upto the Chair to decide as we have got the disarection to keep it pending for next time.

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী :— মাননীয় মন্ত্ৰী মহোদয়ে কণ্ট্ৰাভাৰচিৰ কথা কৈছে। কণ্ট্ৰোভাৰচি ক'ত আছে আমি কব নোৱাৰো। এই সম্পৰ্কে আলোচনা কৰাত কি বাধা আছে ? তেখেতে যি বাধাৰ কথা কৈছে আমি ইয়াত বাধা দেখা নাই। এইটো বাস্তৱ কথা যে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হব লাগে কিন্তু বাধ্যতামূলক হোৱা নাই, আৰু এই কথা মন্ত্ৰীসকলেও স্বীকাৰ কৰিছে ; সেইবাবে এই প্ৰস্তাৱটো ইয়াত আলোচনা হব লাগে পেণ্ডিং ৰাখিব নোৱাৰে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— এই প্ৰস্তাৱটোত এনেকৈ কোৱা হৈছে যে "ফ'ৰ অল পাৰপাচ্" গতিকে যেতিয়া বাধ্যতামূলকৰ কথা কৈছে অল পাৰপাচ্ বাধ্যতামূলক হোৱা নাই। বাধ্যতামূলক হোৱাহেতেন সকলো লৰা-ছোৱালীকে স্কুললৈ অনা হলেহেতেন। কিতাপ-পত্ৰৰ অভাৱ বা অন্যান্য কাৰণেও অহা নাই। গতিকে এই ৰিজলুশ্যনটো মুভ হব লাগে।

শ্ৰীযোগেন গগৈ :— আমাৰ আইন মন্ত্ৰীয়ে কৈছে যে প্ৰত্যেক খন গাওঁতেই প্ৰাথমিক স্কুল স্থাপন কৰাৰ কথা চিন্তা কৰা হৈছে। গতিক বুজা গৈছে যে স্কুল নথকাৰ কাৰণে স্কুল কৰা হব। আমাৰ খিৰিলাক

লৰাই ম'হ, গৰু, চৰাই আছে চাহৰ দোকানত কাম কৰি আছে মাওৰা লৰাই গাৱেঁগাৱে ভিক্ষা কৰি ফুৰিছে, এইবিলাক লৰাক স্কুললৈ অনাৰ কাৰণে এই ৰিজলুশ্যনটো মুভ কৰা হৈছে। গতিকে এই ৰিজলুশ্যনটোৰ ওপৰত আলোচনা কৰিবলৈ দিব লাগে।

Shri Nurul Huda :— The resolution was notified about two weeks back and the Govt. did not come forward and brought it to your notice, Sir that is not proper. This is retaining and it should not have been allowed by the Hon'ble Speaker to keep it pending.

শ্ৰীকেশব চন্দ্ৰ গগৈ (মন্ত্ৰী) :— এলিমেণ্টৰী এডুকেশ্যন এক্ত যি খন আছে তাত কোৱা হৈছে বয়স ৬—১৪ বছৰ। কিন্তু তেখেতে যিটো ৰিজুলুশ্যন দিছে তাত কোৱা হৈছে প্ৰাইমাৰী এডুকেশ্যন ফ'ৰ অল পাৰপাচ্। ইয়াত ৬—১৪ ৰ বাহিৰেও বাকীখিনিকো সামৰিব পাৰে। সেইফালৰ পৰা চাবলৈ গলে এই ৰিজুলুশ্যনটোৰ কোনো কথা নাই।

(ভইচেচ :— সেইকাৰণে মুভ কৰিব দিব লাগে।)

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : আমি আলোচনা নকৰিবলৈ কোৱা নাই। আলোচনা বন্ধও কৰিবলৈ বিচৰা নাই। Hon'ble members must have Patience. আমি কৈছো যে তাত আছে 'অল পাৰপাচেচ। তাৰ কাৰণে এটা চেপাৰেট............

Shri Biren Choudhury :— Mr. Speaker Sir, if the resolution is vague, how a vague resolution is accepted by the office. I am not challenging it simply

I am pointing out fast. Therefore, I am asking whether this resolution should come up for discussion:

Shri Dulal Chandra Barua (Minister) :– The Act has coverd entire system to make it more effective.

Shri Nurul Huda :– What are the provisions ? You read out the provision.

Shri Dulal Chandra Barua (Minister) :— The provision is there for compulsory education from the age of 6 to 14 years.

Shri Altaf Hussain Mazumdar : - Mr. Speaker, Sir. Now the whole point is not the merit of the resolution. The whole thing is the mover of the resolution and its supporters want to discuss it. The idea is quite an acceptable one but the whole point at issue before your honour is this that if at any stage it is found by the Chair that the matter should not be discussed in this from or that form the Hon'ble Speaker can keep it pending. The hon'ble Law Minister was submitting today that at this moment he is not fully equipped with the correct legal aspect to place before the House and so made the request to keep it pending, and the Chair is fully competent to give a ruling whether it can be dis-

cussed or not. The Chair is fully competent to give a ruling whether it may be kept pending on this point.

Shri Atul Chandra Goswami :— Our House should be guided by the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly. Where is the rule I want to know that a resolution already moved can be kept pending ? I cannot see anything in the Rule.

শ্ৰীগোলোক কাকতি :— অধ্যক্ষ মহোদয়, ৰুলিং থকা সত্ত্বেও এটা কথা মজুমদাৰে চাহাবে কৈছে যে ৰুলিং দিয়াৰ অধিকাৰ আমাৰ কোনো সদস্যৰে নাই ! কিন্তু এটা পইণ্টৰ ওপৰত যি সিদ্ধান্ত লোৱা হয় সেইটো স্পীকাৰে দিব ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— স্পীকাৰে ৰুলিং দিয়াৰ অধিকাৰ নাই বুলি মই কোৱা নাই । আছে । স্পীকাৰৰ ৰুলিং দিয়াৰ অধিকাৰ আছে ।

শ্ৰীগোলোক কাকতি :— মজুমদাৰ চাহাবে কৈছে যে চেয়াৰৰ পৰা সেইটো সিদ্ধান্ত দিব লাগে ।

Shri Biresh Misra :— The Law Minister opined that for "all purposes" this resolution may be allowed to be discussed and after that this objection has been raised. Now there are other points involved in this connection and while giving his ruling the hon'ble

Speaker should keep that in mind. This resolution has got priority and suppose it is kept in abeyance pending explanation by the Law Minister and in the mean time the House takes up another resolution and discussion goes on and on the next day the Speaker gives his opinion that the resolution in the name of Shri Ramendra De is held to be valid then the other resolution has to be kept half done and the resolution having priority must have that priority. First giving his opinion in favour of discussion and then again raising objection and creating all these complications, I think the hon'ble Speaker will give his thought over it while giving his ruling.

**Mr. Speaker :—** I have heard all the hon'ble members and the hon'ble Ministers as well. Shri Goswami has shown the rule about the admissibility of resolution. The resolution was admitted in accordance with the rule. Howrver, at any stage if any point of order is raised by any hon'ble member it has to be looked into thoroughly and the Speaker's ruling also has to depend on factors including that of law' Therefore, I wanted guidance from the hon'ble Law Minister. He said there is doubt on the words "for all purposes" primary education should be made compulsory. While there is some

doubt as to whether the resolution in this form would somehow interfere with or encroach upon the provision of law already made by this House, I think it will be better if we keep it pending for the next day and on the next day when resolution comes we will give this resolution first priority.

Now, next resolution to be moved by Shri Atul Goswami.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মোৰ প্ৰস্তাৱটো মোভ কৰাৰ আগতে মই এটা স্পষ্টীকৰণ বিচাৰিছো। এইটো মোভ কৰোতে যদি আগৰটো পায়-ৰিটি নেপায় আৰু ৰনেন্দ্ৰ দেৱৰ প্ৰস্তাৱটোৱে নেপায় তেতিয়াহলে তেওঁক অসুবিধাত পেলোৱা হব। প্ৰস্তাৱটো পায়ৰিটি থাকিবনে নেথাকে।

মাননীয় অধ্যক্ষ :— সেইটো পইন্টৰ পিচত ডিচিচন দিম।

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ এই অধিবেশনত প্ৰস্তাৱ কৰা অসমৰ চাহ ৰাষ্ট্ৰীয়কৰণ কৰিবৰ কাৰণে ভাৰত চৰকাৰৰ ওচৰত আবেদন নিবেদন কৰিবলৈ অনুৰোধ কৰা হওঁক। অধ্যক্ষ মহোদয়, অসমৰ চাহ শিল্পত লাখ লাখ বনুৱাৰ জীৱন জৰিত হৈ আছে। আমাৰ অৰ্থনীতিত আটাইতকৈ বেচি সংখ্যক পুজি বিনিয়োগ হৈছে এই চাহ শিল্প। আজি এই চাহ ৰাষ্ট্ৰীয় কৰণ নোহোৱাৰ ফলত চাহ শিল্পত বে-নামি জমিদাৰী চলি আছে। অসমৰ ভূখণ্ডৰ অনেক মাটিত চাহ শিল্পৰ কাৰণে ৰখা হৈছে। আগতে যিবোৰ মাটিত ফ্ৰি চেম্পুল গ্ৰান্টত ইংৰাজ

* Speech not corrected

কোম্পানী বিলাকক দিয়া হৈছিল সেই মাটি বিলাকত তেওঁলোকে চাহ শিল্পৰ নামত চাহ গছ কৃই আমাৰ ৰাজহত বিঘাই প্ৰতি মাত্ৰ ৫০ পইচা দিছিল। ৰাজহৰ ক্ষেত্ৰত তেওঁলোকে অসমৰ পৰা কোটি কোটি টকা লুটি লৈ গৈছিল। আৰু এই চাহ শিল্পৰ পৰা যিমানখিনি আয় উত্পন্ন হৈছিল সেই ধন আমাৰ দেশত কোনো ধৰণে বিনিয়োগ নকৰাকৈ তেওঁলোকৰ নিজৰ দেশত সেই সম্পদ বিলাক লুটি লৈ গৈছিল।

আমি আশা কৰিছিলো দেশ স্বাধীন হোৱাৰ পিচত যিখিনি বিদেশী পুঁজি আমাৰ দেশত বিনিয়োগ হৈছে সেই খিনি আমাৰ দেশতে বিনিয়োগ হব ; আৰু তাৰ পৰা যিখিনি লাভ হব সেইখিনি আমাৰ দেশৰ জনসাধাৰণে উপভোগ কৰিব পাৰিব। কিন্তু যোৱা ৩০ বছৰ ধৰি এই চাহ শিল্প ৰাষ্ট্ৰীয়কৰণ কৰা নহল। আৰু ৰাষ্ট্ৰীয়কৰণৰ প্ৰশ্ন আহিলেই তাক পিচুৱাই লৈ যোৱা দেখা যায়। এটা চক্ৰান্ত ভাত চলি থকা যেন অনুমান হৈছে। এই দেশৰ চাহ শিল্পৰ ক্ষেত্ৰতেই যে অকল বিনিয়োগৰ ক্ষেত্ৰত শোষিত হৈছে সেইটো নহয়। অসমৰ চাহ শিল্প ইংৰাজৰ হাতত বা অন্যান্য পুঁজিবাদৰ হাতত আছে। তাৰে যি কেইটা মুখ্য অফিচ সেই কেইটাও আমাৰ অসম ভূমিত নাই। ফলত আমি ইয়াৰ পৰা পাব লগীয়া অন্যান্য কৰ কাটলৰ পৰা বঞ্চিত হব লগীয়া হৈছো। এই চাহ শিল্পৰ পৰা যিমান খিনি উৎপাদনৰ উন্নতি হৈছে এই সকলোখিনি আমাৰ দেশত কোনো ধৰণেই বিনিয়োগ নকৰে। তেওঁলোকে নিজ নিজ দেশলৈ এই সম্পদবোৰ লুটি লৈ গৈছে। আমি আশা কৰিছিলো যে দেশ

স্বাধীন হোৱাৰ পিছত যিখিনি বিদেশী পুঁজি আমাৰ দেশত বিনিয়োগ হৈছিল, এই পুঁজি আমাৰ দেশতে বিনিয়োগ হ'ব আৰু তাৰ পৰা যিখিনি লাভ হ'ব, এই লাভখিনি আমাৰ দেশৰ জনসাধাৰণে উপভোগ কৰিবলৈ পাব। কিন্তু যোৱা ৩০ বছৰেও এই চাহ শিল্প ৰাষ্ট্ৰীয়কৰণ কৰা নহ'ল আৰু যেতিয়াই এই ৰাষ্ট্ৰিয়কৰণৰ প্ৰশ্ন আহে তেতিয়াই তাত পুঁজি নাইকিয়া হোৱাৰ এটা চক্ৰান্ত চলি থকা দেখিবলৈ পোৱা যায়। এই দেশত চাহ শিল্পতেই অকল পুঁজি বিনিয়োগৰ ক্ষেত্ৰত আমি শোষিত হৈছো এনে নহয়, অসমৰ চাহ বাগিছা দুখনো ইংৰাজৰ হাতত বা অন্য পুঁজিপতিৰ হাতত আছে আৰু তাৰ যি কেইটা মুখ্য অফিচ আছে সেইকেইটাও অসমৰ ভূমিত নাই। ফলত আমি অন্যান্য কৰ-কাটলৰ পৰা বঞ্চিত হৈছো আৰু অফিচত যিবোৰত চাকৰিৰ সুবিধা আছে আমাৰ যুৱক-যুৱতীসকল তাৰ পৰা বঞ্চিত হৈছে। আজি চাহ বাগিছাৰ এই অৱস্থা কিয় হবলৈ পাইছে? চাহ বাগিছাত যিবিলাক দেশী-বিদেশী পুঁজিপতিৰ হাতত আছে, সেই বিলাক চাহ বাগিছাত কাম কৰা বনুৱাসকলৰ কাৰণে ষ্টেটুটেৰী প্ৰভিজন কৰি থকা-খোৱাৰ কাৰণে ঘৰ-দোৱাৰ, পানী, পাইখানাৰ সুবিধা কৰি দিয়াৰ আইনৰ যি ধাৰা আছিল, সেইধাৰালৈ বাগিচাৰ মালিক সকলে কৰ্ণপাত নকৰি তেওঁলোকৰ সুবিধাৰ কথা নাকচ কৰি দিছে উদাহৰণ স্বৰূপে, এইটো কথা মই জানো যে কেইদিন মানৰ আগতে এখন বাগিছাত ঘৰ সাজিবলৈ দিয়া হৈছিল, লেবাৰ কমিচনে দেখিলে যে তাত ঘৰ সাজি দিয়া হোৱা নাই। তেখেতে এটা নোটত দিছে ষ্টেটুটেৰী প্ৰভিজন মতে যি দৰে ঘৰ-দোৱাৰ দিব লাগে সেইদৰে দিয়া হোৱা নাই। বাগিছাৰ কৰ্তৃপক্ষৰ পৰা উত্তৰত লিখিলে যে এইটো সঁচা নহয়। ঘৰ সজা হৈছে কেৱল ছালবোৰ লগোৱা হোৱা নাই। only roof is

not completed. চাল নোহোৱাকৈ ঘৰ কেনেকৈ হ'ব পাৰে বুজি পোৱা নাই । এনেকুৱা বহুতো বাগিছা দেখিছো, য'ত বনুৱাৰ কাৰণে খোৱা পানীৰ ব্যৱস্থা নাই, পাইখানাৰ ব্যৱস্থা নাই। তাৰ উপৰিও এই বিদেশী মালিকসকলে লাভ আৰু লোকচানৰ বেলেন্স চিটত ফাকি দি বনুৱা সকলক প্ৰাপ্য বোনাচ আদিৰ পৰা বঞ্চিত কৰা দেখাৰ উদাহৰণ আমাৰ হাতত আছে ।

অধ্যক্ষ মহোদয়' এই চাহ শিল্পই, জকাই টি কম্পেনী আৰু অন্যান্য টি কম্পেনী কিছুমান পাউন্দ-ষ্টাৰ্লিং খৰছ কৰি আৰম্ভ কৰা হৈছিল আৰু কোটি কোটি টকা তেওঁলোকে অসমৰ পৰা লৈ গৈছে এই, শিল্পৰ পৰা । আজি তাত অবাধে শোষণ চলাই থকা হৈছে । আমি বিভিন্ন এনে ধৰণৰ আইন বিধান সভাত পাছ কৰিছো, তাৰ ভিতৰত লেন্দ চিলিং আইন পাছ কৰিছো । এই ক্ষেত্ৰত চাহ বাগিছাত উদ্বৃত্ত হোৱা জমিৰ কথা আছে । কাগজ-পত্ৰই হিচাব কৰি থোৱাহে আছে । কিন্তু বাগিছাৰ বনুৱাসকলক সেই ভুমিৰ কোনো অংশকে দিয়া হোৱা নাই । মালিক সকলে নানা ধৰণে চক্ৰান্ত কৰি মাটি বিলাক তেওঁলোকৰ দখলত ৰাখি থৈছে । আজিলৈকে দৰিদ্ৰ জনসাধাৰনে আৰু ভুমিহীনে বণ্টন নেপালে । আজি কিছু দিনৰ আগতে উজনি অসমলৈ যাওঁতে দেখিলো, বাগিচাত চাহ গছৰ সলনি কুহিয়াৰৰ খেতিহে তাৰ উদ্বৃত্ত মাটিবোৰত বেচিকৈ কৰা হৈছে । বৰুৱা বামুন গাঁৱলৈ ৰৰচাপৰি বাগিচাৰ পৰা কুহিয়াৰ যোগান ধৰা হৈছে । সেইদৰে অন্যান্য বাগিচাত ঢোটৰ মলাৰ খেতি কৰা হৈছে । এই ধৰণে বিদেশী পুঁজিপতি সকলক অবাধে শোষণ চলাই থাকিবলৈ দিব পাৰোনে ? এই বাগিচা বিলাক কেতিয়াকে ৰাষ্ট্ৰীয়কৰণ কৰা হ'ব, আমাক চৰকাৰে চুবাস্ত ভাবে জনাবনে ?

ৰাষ্ট্ৰীয়কৰণৰ ক্ষেত্ৰত সাধাৰণতে কোৱা হয় যে এতিয়ালৈকে যিবোৰ ৰাষ্ট্ৰীয়কৃত কৰা হৈছে সেইবোৰৰ পাৰ্ফৰ্মেন্স ভাল হোৱা নাই। ডিগবৈৰ তেল শোধানাগাৰ ইংৰাজ মানুহেই কৰিছিল, সেইটোৰ ৰাষ্ট্ৰীয়কৰণ কৰা হ'ব বুলি, আনহাতে ৰাষ্ট্ৰীয়কৰণ কৰিলে লোকচান ভৰিব লাগিব। সেই কাৰণে ৰাষ্ট্ৰীয়কৃত কৰা নহ'ল। মই চৰকাৰক কওঁ যাতে এইবোৰ সোনকালে ৰাষ্ট্ৰীয়-কৰণ কৰি দেশৰ কল্যাণৰ কাৰণে আৰু উদ্যোগ নিৰ্ম্মানৰ কাৰণে কাৰ্য্যকৰী ব্যৱস্থা হাতত লওক। অলপ আগতে আমাৰ মাননীয় সদস্য বীৰেশ মিশ্ৰ ডাঙৰীয়াই কোৱাৰ দৰে ভাৰতৰ সমস্ত সম্পদৰ সম্ভাৰ ৭৫টা পৰিয়ালৰ হাতৰ মুঠিত আবদ্ধ হৈ আছে। যোৱা ৩০ বছৰে আমি দেখিবলৈ পাইছো যে ভাৰতৰ কেইটামান ধনী সম্প্ৰদায়ে মন'পলিষ্ট মনো ভাবেৰে সম্পদৰ শতকৰা ৭৫ ভাগ উপভোগ কৰি আছে। প্ৰতি বছৰে ধনী সম্প্ৰদায়ৰ লাভ চাৰি, ছয়, দহ গুণ বৃদ্ধি পাইছে। আৰু যি সময়ত দেশৰ জনসাধাৰণৰ কল্যাণৰ কাৰণে এই উদ্যোগবোৰ ৰাষ্ট্ৰীয়কৰণ কৰাৰ কথা কয় তেতিয়াই বিৰোধী দলে দেশৰ কল্যাণত কৰিবলৈ নিদিয়ে বুলি ইমাৰ্জেন্সি কৰা হৈছিল। এই সময়তেই টাটা, ফিনলেণ্ড, জেমচ, আদি দেশী বিদেশী কোম্পানীয়ে বিৰাট লাভ কৰিলে।

কিন্তু আজি যিসকল বাগিছাৰ বনুৱা, তেওঁলোক বহু-বছৰ আগতে অসমলৈ আহিছিল আৰু ঘুৰি যাবলৈ তেওঁলোকৰ নিজা বুলি কোনো ঠাই নাই, তেওঁলোক আজি হাৰে হিমজুৰে আসমীয়া হৈ গৈছে, অথচ তেওঁলোকে অসমত নিজা বুলি এডোখৰ মাটিৰ কাৰনে আন্দোলন কৰিব লাগে। তেওঁলোক চাকৰিৰ পৰা অবসৰ লোৱাৰ পিছত পুতেক, বোৱাৰীয়েকৰ কোৱাৰ্টাৰত

থাকিব লগীয়া হয়। গতিকে মই এই চৰকাৰক এই বিষয়ে সোনকালে সুব্যৱস্থা লবলৈ অনুৰোধ জনালোঁ। তেওঁলোকৰ অৱস্থা নাই। খেতিৰ মাটি নাই, আয়ৰ কোনো পথ নাই, পিন্ধাৰ কাৰণে কাপোৰ নাই। আজি জনতা চৰকাৰে মদ নিবাৰনৰ কথা কৈছে আমাৰ মোৰাৰজী ভায়েও কৈছে নাচবন্দী চেউ চলি নাচাবন্দী চেমে চলো অৰ্থাৎ নাচবন্দীৰ কাৰণে ইন্দিৰা গান্ধী গল আৰু নচাবন্দীৰ কাৰণে দৰ্কাৰ হলে মযো যাম। মদ খোৱা কাৰ্য্যপন্থা অপৰাধ জনক বুলি আইন প্ৰনয়ন কৰি মদ নিবাৰন নহয়। শিক্ষাৰ জৰিয়তে এনেকুৱা এটা বাতা বৰনৰ সৃষ্টি কৰিব লাগিব মদৰ অপকাৰিতা সম্পৰ্কে যাৰ কাৰণে মদ এৰিবলৈ বাধ্য হয়। কিন্তু বাগিছা বিলাকত আজি কি শিক্ষাৰ পৰিৱেশ আছে, সাংস্কৃতিক পৰিৱেশ আছে, মানুহক কি পৰিৱেশত ৰাখিছে ? আজি বাগিছাৰ বনুৱা সকলক ভদ্ৰ মানুহৰ পৰা আতৰাই ৰাখিছে। তেওঁলোকৰ আয়থিনি হাৰিয়া খাওঁতে শেষ হৈ যায়। মোৰ বোধকৰো ভুল নহব, আমাৰ ধানোৱাৰ চাহাবো আছে বাগিছাৰ বনুৱা আজি শতকৰা ৯০ জনেই কাবুলীৰ ওচৰত ধৰুৱা। তেওঁলোকৰ কত পইচা থাকে। জাতীয়কৰন কিয় কৰিব নোৱাৰে ?

Shri Altaf Hossain Majumdar :— Sir, the hon'ble member is making an incorrect statement "শিক্ষিত হলেই বেচি মদ খায়"।

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— শিক্ষিত হলেই বেচি মদ খায়। যদি সেইটোৱে হয় তেন্তে সেই শিক্ষা মই নিবিচাৰো। যি শিক্ষাই সমাজৰ বিৰোধ আনে সেই শিক্ষা নিবিচাৰোঁ। আজি পশ্চিমীয়া দেশৰ যি দুৰাৰোগ্য ব্যাধি মদ আমেৰিকাৰ নিচিনা সভ্য দেশৰ পৰা আহিছে

* Speech not corrected

সেই আদৰ্শ আমাক নালাগে। এনেকুৱা শিক্ষা লাগে যি শিক্ষাই এই বেয়া বস্তুক বেয়া বুলি কয়। আৰু মদপীক মদপী বুলি কয় শ্ৰমিক সকলক মানুহ কৰিবলৈ আজি চাহ বাগিছাৰ পৰিবেশ পৰিবৰ্ত্তন কৰিব লাগিব! অৱশ্যে এই পৰিবৰ্ত্তনৰ কাৰণে চাহ শিল্প ৰাষ্ট্ৰীয়কৰণৰ কথা ভাবিব লাগিব। কিন্তু এই ব্যৱস্থা গ্ৰহন কৰিবলৈ যাওতে পুজিপতি সকলে তেওঁলোকৰ নিজৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে বাধাৰ সৃষ্টি কৰিব। তেওঁলোকে বনুৱা সকলক নিজৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে মানুহ হিচাপে জীয়াই থকাৰ সুবিধা নিদি অৰ্দ্ধাহাৰে, অশিক্ষিত কৰি ৰাখিব বিচাৰে। তেতিয়াহলে পুজিপতি সকলৰ শোষণ কৰাৰ সুবিধা হয়। চাহ বাগিছাৰ লক্ষ লক্ষ বনুৱাক তেওঁলোকে অস্বাস্থ্যকৰ পৰিবেশত ৰাখিছে যাতে শ্ৰমিক সকলৰ শ্ৰম তেওঁলোকে কম দামতে বিক্ৰী কৰিব পাৰে। অধ্যক্ষ মহোদয়, এই বনুৱা সকলৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ হলে তেওঁলোকক এই কু-অভিপ্ৰায়ৰ পৰা ৰক্ষা কৰিবলৈ হলে চাহ শিল্প ৰাষ্ট্ৰীয়কৰন কৰিব লাগিব। কিন্তু এই বিদেশী সম্পদ ৰাষ্ট্ৰীয়কৰন কৰিবলৈ হলে আমাৰ চৰকাৰে কব যে তেখেতসকলক ক্ষতিপুৰণ দিব লাগিব সেই পৰিমানৰ ক্ষতি পুৰন কৰ পৰা দিম? আৰু দিলেই বা লাভ হব কি? 'সম্পত্তি' ফাণ্ডামেণ্টল ৰাইটৰ পৰা বাহিৰ কৰি ৰখা হৈছে সংবিধানৰ জৰিয়তে। মৌলিক ক্ষেত্ৰত নহয় এতিয়া ৰাষ্ট্ৰীয়কৰন নিশ্চয় দূৰ হৈছে। গতিকে এইখিনি কাম আমি কৰিবৰ কাৰনে বোধহয় বৰ বেছি অসুবিধা ভোগ কৰিব নালাগিব। অসমৰ চাহ শিল্প যে এদিন ৰাষ্ট্ৰীয়কৰন কৰা হব সেই কথা বিদেশী পুজিপতি সকলে জানে। সেইকাৰনে সময় থাকোতেই তেওঁলোকে ৰাষ্ট্ৰীয়কৰন কেনেকৈ অলপ পলম কৰিব পাৰে তাৰে চেষ্টা কৰি আছে। ইতিমধ্যে অসমৰ চাহ শিল্প দক্ষিণ আফ্ৰিকাৰ নিচিনা চহৰত

প্ৰচলিত হৈছে। তাত গৈ তেওঁলোকে আমাৰ নাম বিলাক প্ৰচাৰ কৰিছে। কাকজান চাহবাগিছা কেনিয়াত আছে। লণ্ডনৰ আন্ত-ৰ্জাতিক চাহ বজাৰত যাতে চাহে প্ৰতিদ্বন্দিতা কৰিব পাৰে। সেই চিন্তাধাৰা লৈয়ে তেওঁলোকে ইতিমধ্যে কাম আৰম্ভ কৰিছে। জোকাই, কাকজান আদি তাত নাম দি অসমৰ চাহৰ ঐতিহ্য বা সুনাম সেই বজাৰত ৰাখিবৰ কাৰনে এই নাম দিছে। যাতে লণ্ডনৰ বজাৰত যাতে তেওঁলোক অসুবিধাত নপৰে তাৰ ব্যৱস্থা তেওঁলোকে কৰি ৰাখিছে। গতিকে যিমানে পলম হয় সম্পদ নষ্ট কৰ'ৰ বাহিৰে একো নহব। সেই কাৰনে কিছু কিছু লোকে ৰাষ্ট্ৰীয়কৰন কৰাৰ কথা কলে কয় সোনৰ কণী পৰা হাঁহ জনী মাৰি বাচি খোৱাৰ নিচিনা কথা হব। কিন্তু অন্যান্য ৰাষ্ট্ৰৰ ক্ষেত্ৰত দেখিছো তেওঁলোকৰ উৎপাদিত সম্পদখিনি ৰাষ্ট্ৰৰ হাতলৈ নিছে আৰু সেই বিলাক ৰাষ্ট্ৰ আজি পৃথিৱীৰ ভিতৰতে ধনী। ৰাছিয়াৰ নিচিনা কমিনিষ্ট কাণ্ট্ৰিৰ মত ভেদ থাকিব পাৰে। কিন্তু এই কথা স্বীকাৰ কৰিব লাগিব ৰাছিয়াৰ নিচিনা দেশ এখনত পৃথিৱীৰ ভিতৰতে নিবনুৱা সমস্যা নাই কাৰন এইটো সম্ভৱপৰ হৈছে ৰাছি-য়াৰ সম্পদ মেনেজমেণ্ট অৱ প্ৰডাক্সনৰ অৰ্থাৎ ৰাষ্ট্ৰৰ হাতত আছে। আৰু ৰাষ্ট্ৰই তাক পৰিচালনা কৰিছে। আজি আমি নিজৰ ওপ-ৰত আত্মবিশ্বাস হেৰুৱাইছোঁ। গতিকে যিয়েই নকৰোঁ কিয় ভাল মেনেজমেণ্ট নহব। আমি বিধান সভাৰ মজিয়াত যিমানে সুকান সুকান কথাৰ বক্তৃতা নিদিওঁ কিয় সেইটো এনেয়ে যাব। কাৰন সাতোৰ শিকিবলৈ হলে পুখুৰীতহে সাতোৰ শিকিব লাগে। সেই বিধান সভাৰ মজিয়াত নহয়। কিন্তু সাতুৰিবলৈ হলে পানী খাম

বুলি পুখুৰীত নানামিলে সাতোৰ প্ৰশিক্ষন নহব। অন্ততঃ দুই এচোক পানী খালেও সাতোৰাৰ কাৰনে চেষ্টা কৰিব লাগিব তেতিয়াহে সাতোৰা শিক্ষা হব। আমি আমাৰ অভিজ্ঞতাৰ পৰা কৈছো যে কোনো কামেই অসাধ্য নহয়। গতিকে এই চাহ শিল্প ৰাষ্ট্ৰীয়কৰন কৰাত বাধা পালেও আমি যদি বিধান সভাৰ পৰা হেচা দিব পাৰোঁ তেতিয়াহলে কেন্দ্ৰীয় চৰকাৰ বাধ্য হব।

Mr. Speaker :— Are you finishing ?

Shri Atul Chandra Goswami :— No Sir, I have not finished. I will require some more time.

Mr. Speaker :— You will continue next day. The House stands adjourned till 10 A.M. to-morrow the 28th February, 1979.

## ADJOURNMENT

The House then rose at 5 p. m. and stood adjourned till 10 A. M. on Wednesday, the 28th February, 1979.

DISPUR :

The 27th February, 1979

P. D. BARUA,

Secretary,

Assam Legislative Assembly